Content includes AI-generated material

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

শিৱসাগৰত প্ৰৱেশ নিষিদ্ধ ৰূপজ্যোতি কুৰ্মীৰ



বিতং বাতৰি ৬ নং পৃষ্ঠাত

SATURDAY, MARCH 22, 2025 ■ শনিবাৰ, ৮ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮৪ Guwahati, Assam ।। মূল্যঃ এটকা

## ‘গাহৰিৰ গড়াল’লৈ পৰিণত অসম বিধানসভা, চলিল শক্তি প্ৰদৰ্শনৰ কাৰচাজি

# বিধানসভাত বিৰোধী বিধায়কলৈ চোঁচা মদমত্ত কুৰ্মীৰ

### দেৱব্ৰত ‘বান্দৰ’, মাইক ভাঙি দিম বুলি অখিলকো হুমকি

‘আপুনি জেল যোৱা মানুহ’ বুলি কৈ বিধানসভাৰ বাহিৰতো অপমান বিধায়ক আমিনুলক

ই-সংবাদ, ২১ মাৰ্চঃ দেশৰ কেইবাখনো ৰাজ্যত বিধানসভাৰ অধিৱেশনৰ সময়ত শাসক-বিৰোধীৰ হতা-হতি হোৱাত বিধানসভাৰ অধিৱেশথনলী ৰক্তাক্ত হোৱাৰ উদাহৰণ আছে। হতাহতি, আক্ৰমণ-প্ৰত্যাক্ৰমণ শেষাংশ ৯ পৃষ্ঠাত



বিধানসভাত বিৰোধীক অপব্যৱহাৰ বিধায়ক কুৰ্মীৰ

## নামৰূপক লৈ মোদীৰ স্থিতিত সন্দেহ গৌৰৱৰ

ই-সংবাদ, ২১ মাৰ্চঃ নামৰূপ সাৰ প্ৰকল্পৰ চতুৰ্থ গোটক কৈ ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰিছে ৩ পৃষ্ঠাত

## কংগ্ৰেছৰ প্ৰতিবাদলৈ ভয় আৰক্ষীৰ ভাঙিলে পেণ্ডেল!

ই-সংবাদ, ২১ মাৰ্চঃ লালুক আদৰ্শ চিকিৎসালয়ত নাই পৰ্যাপ্ত চিকিৎসক। ৩ পৃষ্ঠাত

## মোদীৰ ভ্ৰমণত খৰচ ৰাজভঁৰালৰ ২৫৮ কোটি!

নতুন দিল্লী, ২১ মাৰ্চঃ যোৱা দুটা বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিদেশ ভ্ৰমণৰ নামত খৰচ হৈছে ২৫০ কোটিৰো অধিক টকা! শেষাংশ ৪ পৃষ্ঠাত

## বিধানসভাত সিংহলৰ দুৰ্নীতি! তদন্ত বিচাৰি বহিষ্কৃত বিধায়ক অখিল গগৈ



ই-সংবাদ, ২১ মাৰ্চঃ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি দ্বাদশ দিনটোত অখিল গগৈয়ে আজি কী কী বাহিনীৰ দুৰ্নীতি আৰু মন্ত্ৰী অশোক সিংহলৰ চুপাৰ চাকাৰ কেলেংকাৰীৰ কথা বিধানসভাত উল্লেখ কৰি শেষাংশ ৪ পৃষ্ঠাত

## উত্তপ্ত কৰ্ণাটক বিধানসভা! হানী ট্ৰেপিঙৰ জালত মন্ত্ৰী-বিধায়ক



বেংগালুৰু, ২১ মাৰ্চঃ প্ৰথমে সংগোপনে, তাৰ পিছত উত্তপ্ত বিতৰ্ক। কৰ্ণাটকৰ সমবায় মন্ত্ৰী কে এন ৰাজন্নাৰ বিস্ফোৰক দাবীয়ে কঁপাইছে ৰাজ্যৰ ৰাজনীতি। ৯ পৃষ্ঠাত

## আৰক্ষী নিজামুদ্দিনক ৫ বছৰ জে'ল



ই-সংবাদ, ২১ মাৰ্চঃ যৌন নিৰ্যাতনৰ গোচৰত দোষী সাব্যস্ত হ'ল নিলম্বিত আৰক্ষী বিষয়া শেষাংশ ৯ পৃষ্ঠাত

## কুৰ্মীৰ আচৰণক গৰিহণা দেৱব্ৰত, অখিলৰ

## ‘সৰু ল'ৰাৰ দৰে বুজনি দিয়েই দায় সাৰিছে উপাধ্যক্ষই’

ই-সংবাদ, ২১ মাৰ্চঃ আজি অসম বিধানসভাৰ মজিয়াত বিজেপিৰ মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অভব্য আচৰণত হতভম্ব হৈ পৰে বিৰোধিৰ বিধায়কসকলক। কংগ্ৰেছকে ধৰি বিভিন্ন বিৰোধী দলে ৰূপজ্যোতি কুৰ্মীৰ অসাংবিধানিক শেষাংশ ৫ পৃষ্ঠাত





## চচলত শিক্ষক, স্বাস্থ্যকৰ্মীৰ প্ৰতিবাদ! নিমাত চৰকাৰ

ই-সংবাদ, ২১ মাৰ্চঃ উন্নয়নৰ ঢাক-ঢোল বজাই থকা বিজেপি চৰকাৰৰ শাসনত অন্ত নোহোৱা হৈছে প্ৰতিবাদ-বিক্ষোভ। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে স্বাস্থ্য কৰ্মচাৰীয়ে প্ৰতিবাদ শেষাংশ ২ পৃষ্ঠাত

## ‘মিনি বাংলাদেশ’ৰ বিৰুদ্ধে উত্তাল বিধানসভা

ই-সংবাদ, ২১ মাৰ্চঃ ৰাজ্যসভাত বিজেপিৰ সাংসদ সুধাংশু ত্ৰিৱেদীয়ে ধুবুৰী জিলাক ‘মিনি বাংলাদেশ’ বুলি কোৱাৰ পিছৰে পৰা অসমৰ ৰাজনীতি গৰম হৈ পৰিছে। কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ কেইবাজনো নেতাৰ লগতে গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আনহাতে আজি অসম বিধানসভাৰ বিতং ৫ পৃষ্ঠাত

বিজেপি সাংসদ সুধাংশু ত্ৰিৱেদীৰ মন্তব্যৰ বিৰুদ্ধে বিধানসভাত ভৰ্ৎসনা প্ৰস্তাৱ বিৰোধীৰ, গোলকগঞ্জতো ৰুজু হ'ল বিশেষ গোচৰ

## চিণ্ডিকেটৰ ধন বিচাৰি বিধায়কৰ ফোন!

### নেপথ্যত মনোৰঞ্জন

ই-সংবাদ, ২১ মাৰ্চঃ শেহতীয়াকৈ ভাইৰেল হৈ পৰা এটা কল ৰেকৰ্ডিঙে হাহাকাৰ লগাইছে ৰাজ্যৰ ৰাজনীতিত। নিজকে মনোৰঞ্জন তালুকদাৰ বুলি দাবী কৰা শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চচলত শিক্ষক, স্বাস্থ্যকৰ্মীৰ প্ৰতিবাদ!

কৰি থকাৰ সমান্তৰালকৈ শিক্ষাগুৰুৰ কান্দোনেও চুই গৈছে ৰাজ্যবাসীৰ অন্তৰ। স'ততে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজিকালি প্ৰতিবাদ, ধৰ্ণা আদি শূন্য বুলি বাৰে বাৰে দাবী কৰি আহিছে যদিও শুকুৰবাৰে ২৪ হাজাৰ চৰকাৰী কৰ্মচাৰী ৰাজপথলৈ ওলাই আহি চৰকাৰক দেখুৱালে ৰঙাচকু। বিগত প্ৰায় ১০-১২ দিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদ অব্যাহত থকাৰ লগতে চচলত নিতৌ প্ৰায় ৭ৰ পৰা ৮টা সংগঠনে প্ৰতিবাদ কৰি গৈছে। চচলত অগণন সংগঠনে প্ৰতিবাদ কৰি থকাৰ সময়তে আজি ৰাজ্যজুৰি কেইবা হাজাৰ স্বাস্থ্য বিভাগৰ কৰ্মচাৰী ৰাজপথত নামে। ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ অন্তৰ্গত সদৌ অসম স্বাস্থ্য-কাৰিকৰী কল্যাণ সন্থাৰ আহ্বানত আজিৰে পৰা কৰ্মচাৰীসকলে প্ৰতিবাদ আৰম্ভ কৰিছে। সংগঠনটোৱে আজিৰে পৰা সমগ্ৰ ৰাজ্যত প্ৰতিবাদৰ ঘোষণা কৰাত আজি প্ৰতিবাদৰ প্ৰথম দিনটোত ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহ, জিলা চিকিৎসালয়, মহকুমা চিকিৎসালয়, প্ৰাথমিক, ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয় সেৱাত প্ৰভাৱ পৰে। সদৌ অসম স্বাস্থ্য-কাৰিকৰী কল্যাণ সন্থাই কেইবাটাও দাবী সমৰ্থনত আজিৰে পৰা ৬ মাৰ্চলৈ তিনিদিনীয়াকৈ প্ৰতিবাদ ঘোষণা কৰিছে। ফলত আজি হাস্পতাল এৰি ৰাজপথত নমাত কিছু পৰিমাণে ব্যাহত হয় স্বাস্থ্য খণ্ডৰ স্বাভাৱিক কাম-কাজ। ৰাষ্ট্ৰীয় স্বাস্থ্য মিচন, ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ আঁচনি, মেলেৰিয়া, আমব্ৰেলা আঁচনিৰ কাম স্থবিৰ হৈ পৰে। ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বহু চিকিৎসা মহাবিদ্যালয়সমূহ, জিলা চিকিৎসালয়, মহকুমা চিকিৎসালয়, প্ৰাথমকি স্বাস্থ্য কেন্দ্ৰ, ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰত সেৱাত প্ৰভাৱ পৰে। ৰোগী আৰু অভিভাৱকৰ মাজত হাঁহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হয়। কিয়নো ৬ মাৰ্চ পৰ্যন্ত চিকিৎসালয়সমূহৰ জৰুৰীকালীন সেৱাৰ বাহিৰে সকলো সেৱা সম্পূৰ্ণভাৱে বন্ধ ৰখাৰ ঘোষণা কৰিছে। ৰাজ্যখনৰ সৰ্বমুঠ ২৪ হাজাৰ এনএইচএম কৰ্মচাৰীয়ে নিজ নিজ কৰ্মক্ষেত্ৰ এলেকাত একত্ৰিত হৈ কৰ্মবিৰতি আৰম্ভ কৰাত ব্যাপক সংখ্যক ৰোগী বিপদত পৰে। প্ৰতিখন জিলাৰ সদৰ, মহকুমা সদৰ, সম-জিলাৰ সদৰ, চক্ৰ বিষয়াৰ কাৰ্যালয়ত কমেও ২০ৰ পৰা ৭০ জন পৰ্যন্ত এনএইচএম ঠিকাভিত্তিক স্বাস্থ্য কৰ্মচাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। ২৪ হাজাৰ কৰ্মচাৰীয়ে বিভিন্ন আঁচনিৰ অধীনত নিয়মীয়া কৰ্মচাৰীৰ দৰেই নিতৌ সেৱা আগবঢ়াই যদিও কিন্তু সমকামৰ বাবে সমদৰমহা নাপায়। পেঞ্চনৰ লগতে অন্যান্য সুবিধাৰ পৰা বঞ্চিত হ'ব। চৰকাৰক বাৰে বাৰে মৰ্যাদা সহকাৰে জীয়াই থকিব পৰাকৈ চাকৰিৰ সুৰক্ষা দাবী কৰি আহিছে যদিও চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অন্তৰ্গত চিকিৎসক, নাৰ্চ, ফাৰ্মাচিষ্ট, মিচন সমন্বয়ক, এনএনএম, জিএনএম, কমিউনিটি হেলথ অফিচাৰ, ফাৰ্মাচিষ্ট, লেবৰটৰি টেকনিছিয়ান, গাণনিক, বিপিএম, বিচিএম কৰ্মচাৰীয়ে কৰ্মবিৰতি পালন কৰি প্ৰতিবাদ জনায়। চাকৰি নিয়মীয়া কৰি পেঞ্চন ব্যৱস্থা বাহাল, দৰমহা বৃদ্ধি, মৃত কৰ্মচাৰীৰ পৰিয়ালক ২৫ লাখ টকাৰ আৰ্থিক সাহায্য, ভ্ৰমণ বানচ, দৈনিক ভাট্টা, বিনামূলীয়া চিকিৎসা সেৱা, ৰাজ্য চৰকাৰৰ অন্যান্য কৰ্মচাৰীৰ সমাহাৰত ভাট্টা প্ৰদানৰ দাবীত শ্ল'গান দি ৰাজ্যৰ পৰিৱেশ উত্তাল কৰে। চাৰিটাকৈ দাবীলৈ স্বাস্থ্য কৰ্মী সকলে মুখ্য মন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত দুটা দশক ধৰি স্বাস্থ্য কৰ্মীসকলে স্বাস্থ্য সেৱা আগবঢ়ায় আহিছে। এই ক্ষেত্ৰত এনএইচএম ঠিকাভিত্তিক স্বাস্থ্য কৰ্মীসকলক নিয়মীয়া কৰণ নকৰাত চাকৰি বয়সৰ সীমা উকলি গৈছে। সমকামৰ সমদৰমহা দৰমহা প্ৰদান, স্থায়ী পদত নিযুক্তি প্ৰদান, স্বাস্থ্য বিমা প্ৰঞ্চন বেংকলোণ, সকলো কৰ্মচাৰীলৈ পেস্কেল ব্যৱস্থা কৰি দৰমহা আদায়ৰ ব্যৱস্থা কৰি চৰকাৰী সকলো সা-সুবিধা প্ৰদানৰ দাবী জনায়। দাবীসমূহ পূৰণ নোহোৱা পৰ্যন্ত কৰ্ম বিৰতি পালন কৰাৰ হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। নাগৰিকৰ জীৱন সুৰক্ষিত কৰা স্বাস্থ্য কৰ্মীসকলে দিবা-নৈশ কাম কৰাৰ পিছতো মৰ্যাদা নোপোৱাত গণতান্ত্ৰিক প্ৰতিবাদ কৰিবলৈ বাধ্য হয়। আনফালে, চচলত শুকুৰবাৰে প্ৰতিবাদী ইঞ্জিনিয়াৰিং-পলিটেকনিক শিক্ষকৰ কাষত থিয় হয় অসম জাতীয় পৰিষদ। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাসহ দলৰ এটা প্ৰতিনিধি গোটে সাক্ষাৎ কৰে প্ৰতিবাদী শিক্ষকসকলক। উল্লেখযোগ্য যে, কাৰিকৰী শিক্ষা সঞ্চালকৰ কাৰ্যালয়ে ৭ মাৰ্চত ৬৪ গৰাকী পলিটেকনিক আৰু ২৮ গৰাকী ইঞ্জিনিয়াৰিং কলেজৰ অধ্যাপকক চাকৰিৰ পৰা অব্যাহতি দিয়ে। অধ্যাপকসকলে বিগত ৭ বছৰ ধৰি নিৰৱচ্ছিন্নভাৱে শিক্ষাদান কৰি আহিছিল। তেওঁলোকৰ চাকৰি শেষ কৰাৰ ফলত কেৱল শিক্ষকসকলৰ জীৱন অন্ধকাৰময় হোৱা নাই, বৰং শিক্ষাৰ্থীসকলৰ ভৱিষ্যতো সংকটত পৰিছে। যদিও এই অধ্যাপকসকলৰ পদ সংস্থাপন বাতিল কৰা হৈছে, তথাপিও তেওঁলোকৰ পদসমূহ বৰ্তমানো শূন্য হৈ আছে। অংশকালীন হিচাপে নিযুক্তিৰ পিছতো, তেওঁলোকক পৰীক্ষা পৰিদৰ্শকৰ পৰা আৰম্ভ কৰি হোষ্টেল ৱাৰ্ডেন পৰ্যন্ত নানা শৈক্ষিক আৰু অশৈক্ষিক দায়িত্ব দিয়া হৈছিল। তথাপিও তেওঁলোকক অসম চৰকাৰে ২৪ ছেপ্টেম্বৰ ২০২৪ তাৰিখে লোৱা মন্ত্ৰিসভাৰ সিদ্ধান্ত অনুসৰি এপিএছচিৰ থ্ৰি(এফ)ৰ অধীনত স্থায়ীকৰণ কৰা নহ'ল। এই অধ্যাপকসকলে অসম চৰকাৰক তেওঁলোকৰ চাকৰি পুনৰ বহাল কৰাৰ লগতে চাকৰিৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবীত বিগত এমাহ ধৰি অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘট কাৰ্য্যসূচী ৰূপায়ন কৰিছে। আজি অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাৰ নেতৃত্বত দলৰ এটা প্ৰতিনিধি গোটে চচলৰ ধৰ্ণাস্থলীত উপস্থিত হৈ প্ৰতিবাদী অধ্যাপকসকলৰ সমস্যাৰ বুজ লয়। দলৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে হিমন্ত বিশ্ব শৰমা চৰকাৰে উক্ত শিক্ষকসকলৰ সৈতে এনে প্ৰতাৰণামূলক আচৰণ কৰাটো উচিত হোৱা নাই। কাৰণ অস্থায়ীভাৱে নিযুক্তি দিয়া শিক্ষকৰ চাকৰি অগ্ৰাধিকাৰ ভিত্তিত নিয়মীয়া কৰাৰ বহু উদাহৰণ আছে। এইসকল শিক্ষকক যি সময়ত চাকৰি প্ৰদান কৰা হৈছিল, তেতিয়া ৰাজ্যৰ শিক্ষামন্ত্ৰী আছিল বৰ্তমানৰ মুখ্যমন্ত্ৰী। গতিকে তেতিয়া তেওঁলোকক স্থায়ীভাৱে নিযুক্তি নিদি অস্থায়ী কৰি ৰখাৰ দায়িত্ব হিমন্ত বিশ্ব শৰ্মায়েই লব লাগিব। তেতিয়াই এওঁলোকৰ চাকৰি নিয়মীয়া কৰা হ'লে এতিয়া এই সমস্যাটোৰ সৃষ্টি নহ'লহেতেন । তেতিয়াই যিহেতু এওঁলোকে পৰীক্ষা দিয়েই চাকৰি পাইছিল, তেওঁলোকৰ চাকৰি অগ্ৰাধিকাৰ ভিত্তিত নিয়মীয়া কৰাটো চৰকাৰৰ দায়িত্ব। চৰকাৰে কি ভাৱি এই শিক্ষকসকলৰ ক্ষেত্ৰত অমানৱীয় আচৰণ কৰিছে সেয়া ৰহস্যজনক বুলি উল্লেখ কৰি গগৈয়ে এনে আচৰণ বন্ধ কৰি শিক্ষকসকলৰ প্ৰতি ন্যায় কৰিবলৈ আহ্বান জনায়।

# ছাত্ৰীক নিৰ্যাতন! এনআইটি শিলচৰৰ অধ্যাপকক নিলম্বন

**শিলচৰ, ২১ মাৰ্চঃ** ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান (এনআইটি) শিলচৰত পুনৰ বিতৰ্ক। বৈদ্যুতিক অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক ডি কে ৰাজুৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন হৈছে। কৰ্তৃপক্ষই ৰাজুক সাময়িকভাৱে নিলম্বন কৰে। প্ৰথম বৰ্ষৰ বি টেক ছাত্ৰী এগৰাকীৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন হোৱাৰ পিছতে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সূত্ৰ অনুসৰি অভিযুক্ত অধ্যাপকগৰাকীয়ে ছাত্ৰীগৰাকীক যৌন নিৰ্যাতন চলাবলৈ চেষ্টা কৰিছিল। এই ঘটনাৰ পিছত সমগ্ৰ কেম্পাছত বিয়পি পৰে প্ৰতিবাদ। বৃহস্পতিবাৰে নিশা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে ফেকাল্টী কোৱাৰ্টাৰৰ সন্মুখত সমবেত হৈ প্ৰতিবাদ সাব্যস্ত কৰি অভিযুক্ত অধ্যাপকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰি গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়। গোটেই নিশা প্ৰতিবাদ অব্যাহত থকাৰ ফলত পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ এনআইটি কেম্পাছত আৰক্ষী নিয়োগ কৰা হয়। জানিব পৰা মতে, ঘটনাৰ পিছতে ভুক্তভোগী ছাত্ৰীগৰাকীয়ে আনক এই বিষয়ে অৱগত কৰে। ইয়াৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলে গোট খাই ফেকাল্টী কোৱাৰ্টাৰৰ সন্মুখত প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰে। পৰিস্থিতি তীব্ৰতৰ হোৱাৰ লগে লগে এনআইটি কৰ্তৃপক্ষই জৰুৰী বৈঠক অনুষ্ঠিত কৰি পুৱা প্ৰায় ৩ বজাত অভিযুক্ত অধ্যাপকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ নিৰ্দেশ জাৰি কৰে। যদিও চাকৰিৰ পৰা বৰ্খাস্ত হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে সাময়িকভাৱে প্ৰতিবাদ বাতিল কৰিছে, অভিযুক্ত অধ্যাপকজনক গ্ৰেপ্তাৰ নকৰিলে আন্দোলন তীব্ৰতৰ হ'ব বুলি সকীয়াই দিছে। ইতিমধ্যে ঘটনাৰ আধাৰত অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নামৰূপক লৈ মোদীৰ স্থিতিত সন্দেহ

যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত নামৰূপ সাৰ উদ্যোগৰ চতুৰ্থ গোটৰ বাবে বাৰে বাৰে অনুমোদন জনোৱা বুলি অভিযোগ উত্থাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে পুনৰ এবাৰ ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচন লিমিটেডৰ (বিভিএফচিএল) চৌহদত ব্ৰাউনফিল্ড এমোনিয়া-ইউৰিয়া কমপ্লেক্স স্থাপনৰ বাবে অনুমোদন জনোৱাত গৌৰৱ গগৈয়ে ছ'চিয়েল মিডিয়া যোগে এই প্ৰশ্ন উত্থাপন কৰিছে। ২০১৫ চনত এইখন চৰকাৰ তথা এইগৰাকী নৰেন্দ্ৰ মোদীৰ কাৰ্যালয়ত একেই প্ৰস্তাৱ লোৱা হৈছিল। যাৰ ফলত প্ৰকল্পটোক লৈ বিজেপিৰ স্থিতি সন্দেহজনক। ২০১৫ চনত প্ৰধানমন্ত্ৰী মোদীৰ অধীনত অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটিয়ে নামৰূপ সাৰ কাৰখানাৰ নতুন ব্ৰাউনফিল্ড এমোনিয়া-ইউৰিয়া কমপ্লেক্স স্থাপনৰ বাবে অনুমোদন জনাইছিল। পৰৱৰ্তী সময়ত ২০১৭ চনত কেন্দ্ৰই নামৰূপ ইউনিট চতুৰ্থৰ বাবে ৭,২০০ কোটি ঘোষণা কৰিছিল। পুনৰ ২০২৫ চনত প্ৰধানমন্ত্ৰী মোদীয়ে ১০,৬০১ কোটি লৈ অনুমোদন দিছে। একেটা ঘোষণাকে বাৰে বাৰে কৰি বিজেপিয়ে অসমৰ লোকক বিপথে পৰিচালিত কৰিছে নেকি বুলি গগৈয়ে প্ৰশ্ন কৰে? গগৈয়ে কয় যে বিজেপি চৰকাৰৰ অধীনত উন্নয়নমূলক প্ৰকল্পসমূহৰ কাৰ্যকৰী সম্পৰ্কে অধিক বিতৰ্কৰ সৃষ্টি হৈছে। সোণোৱাল-শৰ্মাই এতিয়া নামৰূপ চতুৰ্থ প্ৰকল্পৰ ওপৰত ৰাজ্যবাসীক স্থিতি স্পষ্ট কৰক। বাৰে বাৰে অনুমোদনৰ দ্বাৰা অসমৰ জনসাধাৰণক বিপথে পৰিচালিত কৰা হৈছে। ২০১৫ চনতে প্ৰাৰম্ভিক অনুমোদন জনোৱা স্বত্বেও প্ৰকল্পটোৰ কামত বিলম্ব হৈছে। ব্যয় বৃদ্ধি, আৰু প্ৰগতিৰ অভাৱৰ সন্মুখীন হৈছে। ইপিনে গৌৰৱ গগৈয়ে আজি চাহ বাগিচাৰ শ্ৰমিকৰ সমস্যা সন্দৰ্ভত ভাষণ ৰাখে সদনত। বাগিচাৰ শ্ৰমিক তথা চাহ বাগিচাৰ স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি আৰু উন্নয়নৰ অৱস্থাত হতাশা ব্যক্ত কৰে। মাজনাই চাহ বাগিচাৰ কৰ্মীসকলে শেহতীয়াকৈ সময়মতে এম্বুলেন্সৰ অভাৱত এজন শ্ৰমিকৰ মৃত্যু হোৱাৰ পিছত প্ৰতিবাদ কৰিছিল। সেই কথা উল্লেখ কৰে। শক্তিশালী স্বাস্থ্যসেৱা সুবিধাৰ প্ৰয়োজনীয়তাৰ ওপৰত অংকন কৰি এনে ধৰণৰ প্ৰত্যাহ্বানৰ সৈতে যুঁজি থকাৰ কথা উল্লেখ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ প্ৰতিবাদলৈ ভয় আৰক্ষীৰ

যাৰ বাবে চিকিৎসালয় কতৃপক্ষই ৰাজহুৱা জাননী জাৰি কৰি জৰুৰীকালীন সেৱা অনিৰ্দিষ্ট কাললৈ বন্ধ ঘোষণা কৰিছিল। এই জাননী ৰাজহুৱা হৈ পৰাৰ পাছতেই ৰাজ্যজুৰি সৃষ্টি হৈছিল তীব্ৰ প্ৰতিক্ৰিয়া। এই সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি স্বাস্থ্যমন্ত্ৰী অশোক সিংঘলে কৈছিল যে লালুক আদৰ্শ চিকিৎসালয়ত আছে ৬জন চিকিৎসক। চিকিৎসকৰ অভাৱ হোৱা নাই লালুকত আদৰ্শ চিকিৎসালয়ত। সামাজিক মাধ্যমযোগে এই মন্তব্য কৰাৰ পাছতেই অশোক সিংঘলক প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই প্ৰত্যুত্তৰ দি লালুক আদৰ্শ চিকিৎসালয়লৈ যাব বুলি ঘোষণা কৰিছিল। সেই অনুসৰি শুকুৰবাৰে লালুকত উপস্থিত হৈছিল ভূপেন বৰা। সমান্তৰালকৈ কংগ্ৰেছ দলে পুৱা ১০ বজাত লালুক আদৰ্শ চিকিৎসালয়ৰ সন্মুখত ৰূপায়ন কৰিবলৈ লৈছিল অৱস্থান ধৰ্মঘট কাৰ্যসূচী। কিন্তু এই কাৰ্যসূচীত বাধা প্ৰদান কৰে লখিমপুৰ আৰক্ষীয়ে। জিলা প্ৰশাসনৰ পৰা অনুমতি নোলোৱাৰ অভিযোগ তুলি আৰক্ষীয়ে ভাঙি পেলায় অৱস্থান ধৰ্মঘটৰ বাবে নিৰ্মাণ কৰা পেণ্ডেল, খুলি পেলায় তীৰ্পাল স্ক্ৰীন কাপোৰ। ইয়াৰ পিছতেই প্ৰতিবাদস্থলীত উপস্থিত হৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই এই ঘটনাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। নিজৰ ভাষণত ভূপেন বৰাই আক্ৰমণৰ লক্ষ্য কৰি লয় আৰক্ষী প্ৰশাসন আৰু মুখ্যমন্ত্ৰীক। বিৰোধী নেতাগৰাকীয়ে প্ৰতিবাদৰ কাৰ্যসূচীৰ অন্তত উপ-অধীক্ষকক সাক্ষাৎ কৰি চিকিৎসালয়খনৰ শেহতীয়া পৰিস্থিতিৰো বুজ লয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিণ্ডিকেটৰ ধন বিচাৰি বিধায়কৰ ফোন!

এগৰাকী ব্যক্তি আৰু হৰ্ষ নামৰ এগৰাকী ব্যক্তিৰ মাজত হোৱা কথোপকথনৰ অডিঅ' ৰেকৰ্ডিং এতিয়া সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। মনোৰঢ্জন তালুকদাৰে ফোনত হৰ্ষ নামৰ ব্যক্তিগৰাকীক কৈছে মোৰ ইলেকচন নহয়, মই এছেম্বলীৰ টাইমত আপোনালোকক জুলুম কৰা নাই। এতিয়াওতো এমএলএ মই, তথাপিও একো জুলুম কৰা নাই। এই কথাত হয়ভৰ দি হৰ্ষ নামৰ ব্যক্তিগৰাকীয়ে কৈছে, হ'ব দিয়ক মই লগ কৰিম আপোনাক। ইয়াৰ পাছতেই মনোৰঞ্জন তালুকদাৰে কয়, লগ কৰিম মানে মোক এটা হেভী এমাউন্ট লাগিব। ইয়াৰ পাছতেই হৰ্ষ বোলাজনে কয় মোৰ পাৰ্টনাৰ আছে নহয়। তেতিয়া মনোৰঞ্জন তালুকদাৰৰ মন্তব্য, লগৰ কেইটাৰ লগত কথা পাতক। মহন্তৰ লগত কথা পাতক। হৰেণ মহন্তক ক'ব দিয়ক তালুকদাৰে বিচাৰিছে বুলি। ইয়াৰ লগতে সময়সীমাও নিৰ্ধাৰণ কৰি মনোৰঞ্জন তালুকদাৰে কয়, ২-৪ দিনতকৈ বেছি নহয়, এমাউন্টটো হেভী লাগিব। ২-১ৰ কথা মই কোৱা নাই। অডিঅ' ৰেকৰ্ডিংটোত মনোৰঞ্জন তালুকদাৰ বুলি দাবী কৰা কণ্ঠস্বৰটো সৰভোগৰ বিধায়কগৰাকীয়েই বুলি একাংশই দাবী কৰিছে। কিন্তু এতিয়াও বিষয়টোৰ সত্যাসত্যতা পোহৰলৈ অহা নাই। মন কৰিবলগীয়া যে চলিত বিধানসভা নিৰ্বাচনত চুপাৰি চিণ্ডিকেটক লৈ সৰৱ হৈ পৰিছিল সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ। জনৈক হৰেণ মহন্ত নামৰ ব্যক্তিগৰাকীৰ নেতৃত্বত ৰাজ্যত অবৈধ চুপাৰি চিণ্ডিকেট চলি থকা বুলি দাবী কৰিছিল মনোৰঞ্জন তালুকদাৰে। এই মন্তব্যৰ কিছুদিন পাছতেই হৰেন মহন্ত, হেভী এমাউন্ট আদি শব্দৰে ভাইৰেল হৈ পৰা কল ৰেকৰ্ডিংটোৱে সৃষ্টি কৰিছে চাঞ্চল্যৰ। ইপিনে ভাইৰেল অডিঅ'ক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সেই কণ্ঠ তেওঁৰ নহয় বুলি অস্বীকাৰ কৰিছে বিধায়ক তালুকদাৰে। তেওঁ কয় যে সেই কণ্ঠটো মোৰ নহয়। অডিঅ' টেপটো ষড়যন্ত্ৰমূলক। হৰ্ষ আৰু হৰেন মহন্তক মই ব্যক্তিগতভাৱে চিনি নাপাও। তেওঁলোকৰ মোবাইল নম্বৰ মোৰ সৈতে নাই। কিন্তু এই ফোন ৰেকৰ্ডিঙে সৃষ্টি কৰা ৰহস্যক লৈ এতিয়া ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# ডিব্ৰুগড়ৰ নতুন বিধানসভা নিৰ্মাণ স্থান পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

**ডিব্ৰুগড়, ২১ মাৰ্চঃ** অসমৰ দ্বিতীয় ৰাজধানী হিচাপে ডিব্ৰুগড়ৰ উন্নয়নমূলক প্ৰকল্পক আগুৱাই নিয়াৰ দিশত আন এক পদক্ষেপ গ্ৰহণ কৰিছে চৰকাৰে। শুকুৰবাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত নতুন বিধানসভা কমপ্লেক্স আৰু বিধায়ক হোষ্টেলৰ বাবে নিৰ্ধাৰিত স্থান পৰিদৰ্শন কৰে। ৰাজ্য চৰকাৰৰ মাষ্টাৰ প্লেনৰ অধীনত ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰসংগক্ৰমে চলিত বৰ্ষৰ জানুৱাৰী মাহত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে আগন্তুক তিনি বছৰৰ ভিতৰত ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলা হ'ব। এই প্ৰকল্পৰ তাৎপৰ্য ব্যাখ্যা কৰি তেওঁ কয়, "২০২৫ চনৰ শেষৰ ফালে নতুন অসম বিধানসভা কমপ্লেক্স নিৰ্মাণৰ কাম আৰম্ভ হ'ব। ডিব্ৰুগড়ৰ হেৰাই যোৱা গৌৰৱ পুনৰুদ্ধাৰ কৰি আধুনিক দ্বিতীয় ৰাজধানীলৈ ৰূপান্তৰিত কৰাৰ লক্ষ্য আমাৰ লক্ষ্য। আজি মই নিৰ্মাণস্থলী পৰিদৰ্শন কৰিলোঁ।" পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে ডিব্ৰুগড়ৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকে। তাত ১৬০ জন বিধায়কৰ আসন থকা বিধানসভা ভৱন নিৰ্মাণৰ পৰিকল্পনা আৰু তেওঁলোকৰ আৱাসিক কোৱাৰ্টাৰ পৰিদৰ্শন কৰে। খবৰ অনুসৰি এই প্ৰকল্পৰ নিবিদা প্ৰক্ৰিয়া মে' মাহৰ পৰা আৰম্ভ হ'ব। ইতিমধ্যে এই প্ৰকল্পক লৈ তৎপৰতা দেখুৱাইছে ৰাজ্য চৰকাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাত সিংহলৰ দুৰ্নীতি! তদন্ত

সদনৰ পৰা বহিস্কাৰ হ'বলগীয়া হয়। আজি সদনত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু অখিল গগৈয়ে কী কী বাহিনীৰ বিহুৰ বিশ্ব ৰেকৰ্ড অনুষ্ঠানৰ কেলেংকাৰী আৰু অশোক সিংহলৰ চুপাৰ চাকাৰ কেলংকাৰীৰ প্ৰসংগ উল্লেখ কৰিছিল। মন্ত্ৰী অশোক সিংহলৰ চুপাৰ চাকাৰ কেলেংকাৰীৰ তদন্ত বিচাৰে। আনহাতে দেৱব্ৰত শইকীয়াই অশোক সিংহলৰ কেলেংকাৰীৰ প্ৰসংগ উত্থাপন কৰি সদনৰ দিনটোৰ অন্য কাৰ্যসূচী বাতিল কৰি আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়। যাৰ ফলত উত্তাল হৈ পৰে অসম বিধানসভা। আজি পুৱাৰ ভাগতে অধ্যক্ষক ঘেৰাও কৰি সদন কমিটী গঠনৰ দাবীত বিৰোধিয়ে প্ৰতিবাদ জনায়। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অশোক সিংহলৰ কেলেংকাৰীৰ প্ৰংসগ উত্থাপনৰ বাবে দুবাৰকৈ সদন স্থগিত ৰাখিবলগীয়া হয়। মন্ত্ৰী অশোক সিংহলে গুৱাহাটী উন্নয়ন দপ্তৰৰ মন্ত্ৰী হৈ থাকোতে জাৱৰ নিষ্কাশনৰ বাবে অত্যাধিক মূল্যত চুপাৰ ছাকাৰ ক্ৰয়ৰ দুৰ্নীতৰ প্ৰসংগ বিধানসভাত উত্থাপন কৰে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। শইকীয়াই অশোক সিংহলৰ কেলেংকাৰীৰ প্ৰসংগ উত্থাপন কৰি সদনৰ দিনটোৰ অন্য কাৰ্যসূচী বাতিল কৰি আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰ পিছতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কাট মোচনৰ প্ৰসংগ আনি বিৰোধীৰ প্ৰস্তাৱ প্ৰত্যাখান কৰে। দেৱব্ৰত শইকীয়াই সদন কমিটী গঠন কৰি অশোক সিংহলৰ কেলেংকাৰীৰ তদন্ত কৰিবলৈ অধ্যক্ষৰ ওচৰত দাবী জনায়। কিন্তু ইয়াৰ পিছতো বিৰোধীয়ে অধ্যক্ষৰ পৰা কোনো সঁহাৰি লাভ নকৰাত হাতে হাতে প্লেকাৰ্ড লৈ অধ্যক্ষক ঘেৰাও কৰে বিৰোধী বিধায়কসকলে। অধ্যক্ষ দৈমাৰীয়ে দুবাৰকৈ সদন স্থগিত ৰাখিবলগীয়া হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিধানসভাত মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে দুটাকৈ গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰে। অশোক সিংহলৰ পূৰ্বৰ মন্ত্ৰিত্বৰ সময়ত গুৱাহাটী জিএমডিএৰ ছুপাৰ ছাকাৰ ক্ৰয় কৰাৰ নামত বৃহৎ দুৰ্নীতি সংঘটিত কৰিছিল। তেওঁ দাবী কৰে যে সেই সময়ত ১.৩০ কোটি মূল্যৰ একো একোখন ছুপাৰ ছাকাৰ ২.৫০ কোটি টকাত ক্ৰয় কৰি বৃহৎ কেলেংকাৰী সংঘটিত কৰিছিল সিংহলে। এনেদৰে অধিক মূল্যত ১০খন ছুপাৰ ছাকাৰ ক্ৰয় কৰা বুলিও দাবী কৰে বিৰোধী দলপতিগৰাকীয়ে। ইয়াৰোপৰি মন্ত্ৰী সিংহলৰ পিএ ভূঞা ব্ৰাদাৰ্ছৰ নামত জলসিঞ্চন বিভাগত ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ আন এক বিস্ফোৰক অভিযোগ আনে বিৰোধীয়ে। দেৱব্ৰত শইকীয়াই কয় যে ভূঞা ব্ৰাদাৰ্ছক অনৈতিকভাৱে জলসিঞ্চন বিভাগত ঠিকা আৱণ্টন দি দুৰ্নীতি সংঘটিত কৰি আহিছে মন্ত্ৰী অশোক সিংহলে। আজি বিধানসভাৰ মজিয়াত মন্ত্ৰী অশোক সিংহলৰ কেলেংকাৰীৰ তদন্ত বিচৰা বাবে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিধায়ক অখিল গগৈক সদনৰ পৰা বহিস্কাৰ কৰে। আনহাতে, অখিল গগৈয়ে বিহুৰ বিশ্ব ৰেকৰ্ডৰ নামত ১২ কোটি ৬৮ লাখ টকা লুণ্ঠন কৰাৰ প্ৰসংগ উল্লেখ কৰে। অখিল গগৈয়ে ২০২৩ চনৰ ১৪ এপ্ৰিলত বিহুৰ অনুষ্ঠান অনুষ্ঠিত কৰা আৰু ২০২৩ চনৰ ৩০ ছেপ্টেম্বৰত নিবিদাৰ আহ্বান কৰি ১২ কোটি ৬৮ লাখ টকা কেনেদৰে লুটিছিল সেই কথা উল্লেখ কৰে। অখিল অখিল গগৈয়ে বিহুৰ অনুষ্ঠানত এখন চোফা ভাড়াৰ নামত ৩ লাখ টকা আৰু অখন প্লাষ্টিকৰ চকীৰ ভাড়াৰ নামত ১৯০০ টকাকৈ খৰচ কৰা হৈছিল। আমি ৫ৰ পৰা ১০ টকাত প্লাষ্টিকৰ চকী ভাড়া লওঁ। পৃথিৱীত আজিলৈ এনে কথা কেতিয়াও শুনা নাই। এনেদৰে ১২ কোটি টকা লুণ্ঠন কৰিছে। লোক নিৰ্মাণ বিভাগৰ এই ৰেকেট বন্ধ নহ'লে যিমান টকা দিলেও কাম নহ'ব। সৰু সৰু ঠিকাদাৰক ভাতে মাৰি ডাঙৰ ডাঙৰ ঠিকাদাৰক লোকনিৰ্মাণ বিভাগ চমজাই দিয়া হৈছে। ঠিকাদাৰৰ ত্ৰিমূৰ্তি অনুপম শৰ্মা, অনিল দাস আৰু অশোক সিংহী। এই কেইজনেই সকলো কাম পায়। পেকেজ কৰি সৰু ঠিকাদাৰক মাৰি পেলোৱা হয়। অনুপাম শৰ্মাই মালিগাঁৱৰ উৰণীয়া সেঁতু, জুৰোডৰ উৰণীয়া সেঁতু। অনিল দাসে চুপাৰ মাৰ্কেটৰ উৰণীয়া সেঁতু, চানমাৰি উৰণীয়া সেঁতু, ডাউন-টাউনৰ উৰণীয়া সেঁতু, অনুপম শৰ্মা আৰু অশোক সিংহী চাইকেল ফেক্টৰীৰ উৰণীয়ে সেঁতুপ কাম কৰিছে। গোটেই বিলাক কাম বিলাক মুঠতে তিনিজন মানুহে কৰিছে। এইটো কি ধৰণৰ কাহিনী। সৰু সৰু ঠিকাদাৰ বিলাক মৰি যাব। সৰু সৰু ঠিকাদাৰত ১৫ শতাংশ টকা আদায় দিয়া হৈছে। শাসকীয় দলৰ সমৰ্থিৰ সৰু ঠিকাদাৰক বেছি টকা আদায় দিয়া হৈছে। বিৰোধীয়ে কীকী বাহিনী আৰু মন্ত্ৰী সিংহলৰ কেলেংকাৰীৰ তদন্তৰ দাবী জনোৱাত প্ৰথমবাৰৰ বাবে বিধানসভা স্থগিত ৰাখিবলগীয়া হয়। যদিও সদনে মন্ত্ৰীৰ কেলেংকাৰীৰ আলোচনা কৰিবলৈ সন্মত নহ'ল। কী কী বাহিনী আৰু সিংহলৰ কেলেংকাৰীক লৈ আজি হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনক শ'লঠেকত পেলাবলৈ চেষ্টা কৰে বিৰোধীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীৰ ভ্ৰমণত খৰচ ৰাজভঁৰালৰ ২৫৮

সংসদত এই তথ্য প্ৰদান কৰিছে কেন্দ্ৰীয় চৰকাৰে। ৰাজ্যসভাত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই প্ৰদান কৰা লিখিত উত্তৰ অনুসৰি, ২০২২ চনৰ মে'ৰ পৰা ২০২৪ চনৰ ডিচেম্বৰলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা ৩৮ বাৰ বিদেশ ভ্ৰমণত ৰাজ ভঁৰালৰ পৰা ব্যয় হৈছে ২৫৮ কোটি টকা। চৰকাৰী তথ্য অনুসৰি ২০২৩ চনৰ জুন মাহত মোদীৰ আমেৰিকা ভ্ৰমণ আছিল আটাইতকৈ ব্যয়বহুল, যি ভ্ৰমণত ২২ কোটি টকাৰ অলপ বেছি খৰচ হৈছিল। ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত আমেৰিকা ভ্ৰমণৰ বাবে ব্যয় হৈছিল ১৫ কোটি টকাৰো অধিক, আনহাতে ২০২৩ চনৰ মে' মাহত জাপান ভ্ৰমণৰ বাবে প্ৰায় ১৭ কোটি টকা খৰচ হৈছিল। আনহাতে, ২০২২ চনৰ মে' মাহত নেপাল ভ্ৰমণৰ খৰচ তুলনামূলকভাৱে কম আছিল। এই ভ্ৰমণত ৮০ লাখ টকাৰ অলপ বেছি ধন ৰাজভঁৰালৰ পৰা খৰচ কৰা হৈছিল। পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে, এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গুৰুত্বপূৰ্ণ কূটনৈতিক ভ্ৰমণত অংশ লৈছে। তেওঁ জাৰ্মানী, কুৱেইট, ডেনমাৰ্ক, ফ্ৰান্স, সংযুক্ত আৰব আমিৰশ্বাহী, উজবেকিস্তান, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা, গ্ৰীচ, পোলেণ্ড, ৰাছিয়া আদি কেইবাখনো দেশ ভ্ৰমণ কৰিছে। উল্লেখ্য যে, ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খৰ্গেয়ে প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণৰ সৈতে জড়িত খৰচৰ বিশদ বিৱৰণ জানিব বিচাৰিছিল। নিজ নিজ দেশত থকা ভাৰতীয় দূতাবাসৰ খৰচৰ পৰা আৰম্ভ কৰি হোটেল, পৰিবহণ আৰু অন্যান্য খণ্ডৰ খৰচলৈকে প্ৰতিটো ভ্ৰমণৰ সময়ত সম্পূৰ্ণ তথ্য প্ৰকাশ কৰিবলৈ দাবী জনায় কংগ্ৰেছৰ অধ্যক্ষ গৰাকীয়ে। ইয়াৰ পিছতে এই পৰিসংখ্যা পৰৱৰ্তী সময়ত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰে। প্ৰসংগক্ৰমে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত পুনৰ প্ৰধানমন্ত্ৰী মোদীয়ে আমেৰিকা ভ্ৰমণ কৰিছিল। ড'নাল্ড ট্ৰাম্পৰ প্ৰত্যাৱৰ্তনৰ পিছত এয়া আছিল মোদীৰ প্ৰথম আমেৰিকা ভ্ৰমণ, য'ত তেওঁ ট্ৰাম্পৰ সৈতে দীঘলীয়া বৈঠকত মিলিত হৈছিল। মোদীৰ বিদেশ ভ্ৰমণক লৈ ৰাজনৈতিক মহলত বিভিন্ন আলোচনা আৰম্ভ হৈছে। বিৰোধীয়ে এই বৃহৎ খৰচৰ ওপৰত প্ৰশ্ন উত্থাপন কৰাৰ বিপৰীতে চৰকাৰে কয় যে এই ভ্ৰমণসমূহ কূটনৈতিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে অতি গুৰুত্বপূৰ্ণ আছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘সৰু ল’ৰাৰ দৰে বুজনি দিয়েই দায়

আচৰণক ভৰ্ৎসনা কৰিছে। কংগ্ৰেছ, ৰাইজৰ দল, চিপিআইএমৰ বিধায়কে এনে উদ্ভট আচৰণক গৰিহণা দিছে। কংগ্ৰেছৰ হৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এনে আচৰণৰ নিন্দা কৰে। আজি অসম বিধানসভাৰ বাজেট অধিৱেশনৰ দ্বাদশ দিনটোত বিধায়ক শ্বেৰমান আলী আৰু অখিল গগৈক চোঁচা লয় ৰূপজ্যোতি কুৰ্মীয়ে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ঘটনাৰ সংঘটিত হোৱাৰ পিছতে বাহিৰত সংবাদ মাধ্যমৰ সন্মুখত তীব্ৰ নিন্দা কৰি কয় মই আগবেলা সকলো বিধায়ক সমান বুলি কৈছিলো। তাৰ পিছত আমাৰ একাংশ বিধায়কৰ প্ৰতি অশালীন মন্তব্য কৰিছে। কেৱল মন্তব্য দিয়াই নহয়। একমাত্ৰ বিধায়কজনৰ চকীৰ ফালে চোঁচা লৈ আহিলে। এনে ঘটনা আমাৰ কেতিয়াও দেখা মনত নপৰে। মই ২০১১ চনত সংসদীয় ৰাজনীতিত প্ৰৱেশ কৰিছো। তাৰ আগতে কংগ্ৰেছৰ সময়ত দুই এটা এনে ঘটনা শুনিছিলো। কিন্তু ১৯৯০ চনৰ পিছত এনে ঘটনা সংঘটিত হোৱা নাই। প্ৰায় ৩০ বছৰৰ অধিক সময় ধৰি এনে ঘটনা ঘটা নাই। ধৈৰ্য্য থাকিব লাগে, সেই সময়ত ধৈৰ্য্য নাইকীয়া হৈছে। বিধানসভাত আলোচনা হ’ব লাগে। ঘূচিয়া-ঘূচি হ’ব নালাগে। বিধানসভাৰ মৰ্যাদা ৰাখক। আজিৰ দিনটো আমাৰ বাবে এটা বেয়া দিন। আনহাতে, দেৱব্ৰত শইকীয়াই সদনৰ ভিতৰত বক্তব্য ৰাখি কয় যে কোনোদিন নঘটা নজিৰবিহীন ঘটনা ঘটিল। বিৰোধী বিধায়কক মাৰিবলৈ চকীৰ ফালে চোঁচা লৈ যোৱাটো নিন্দনীয় ঘটনা। এনে ঘটনা আগতে হোৱা নাই কেতিয়াও। ধোদৰ আলিক লৈ ৰাজনীতি হৈ আছে। এই বিষয়টোক লৈ আমি আলোচনা কৰি আছিলো। চৰাইদেউ জিলালৈ যোৱা আটাইকেইটা ৰাস্তা বেয়া। বিধানসভাত এইবোৰ বিষয়ত আলোচনা হ’ব লাগে। কিন্তু ঘুচিয়া-ঘূচি হ’ব নালাগে। বিৰোধী বিধায়কক সমালোচনা কৰাৰ বাবে শাৰীৰিক আক্ৰমণ কৰিবলৈ আগুৱাই গৈছে ৰূপজ্যোতি কুৰ্মীয়ে। এই কথা কৈয়ে কংগ্ৰেছে সদন ত্যাগ কৰে। ঘটনাক নিন্দা কৰি কংগ্ৰেছৰ বিধায়কসকলে সদন ত্যাগ কৰে। শ্বেৰমান আলীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে আজিৰ দিনটোৰ দৰে অভদ্ৰামী অসম বিধানসভাত নহওক। ৰূপজ্যোতি কুৰ্মীক গোটেই বছৰটোৰ কাৰণে নিলম্বন কৰি দৃষ্টান্ত ডাঙি ধৰক। আজি যেতিয়া অখিল গগৈ আৰু বিৰোধী দলপতিয়ে ধোদৰ আলি ৰাস্তাক লৈ প্ৰতিবাদ কৰিছিল। তেতিয়া বিৰোধী দলপতিক ক’লে বান্দৰ তোৰ মাইক ভাঙি দিম। অখিল গগৈক ক’লে তোৰ মাইক ভাঙি দিম। এই কথাটোক মই প্ৰতিবাদ কৰিছিলো। তেতিয়া মোক মাৰিবলৈ চোঁচা ল’লে। অখিল গগৈয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে বিৰোধী দলৰ দলপতিজনক বান্দৰ বুলি কৈ তোৰ মাইক ভাঙি দিম বুলি ক’ব পৰা মানুহ অসম বিধানসভাত জন্ম হ’ব বুলি আমি কেতিয়াও ভাবিব পৰা নাছিলো। মই ৪ বছৰৰ বিধায়ক। মই জীৱনত দেখা আটাইতকৈ দুখৰ দিনটো আজি। বিধানসভাৰ ক’লা দিন। শাসক দলৰ বিধায়কে নিজৰ আসন এৰি আহি বিৰোধী দলৰ বিধায়কৰ আসন পোৱাটা কেতিয়াও দেখিব পোৱা নাছিলো। তাতকৈ দুখৰ কথা এয়াই যে সদন পৰিচালনা কৰি থকা উপাধ্যক্ষই ৰূপজ্যোতি সদনৰ পৰা বহিস্কাৰ কৰাৰ পৰিৱৰ্তে সৰু ল’ৰাক বুজোৱা দি বুজাই গোটেই বিষয়টো থাপি-থুপি থৈছে। এইটো এটা নজিৰবিহীন ঘটনা। আজি আমি বিজেপিৰ ফেচিষ্ট আচৰণ দেখিলো। ফেচিষ্ট আচৰণক বিধানসভাত কেনেদৰে মান্যতা প্ৰদান কৰা হ’ল সেয়াও দেখিলো উপাধ্যক্ষৰ দ্বাৰা। আমি লাজ পাইছো। শ্বেৰমান আলী বিধানসভাৰ সৰৱ বিধায়ক। শ্বেৰমান আলীক খেদি আহিছিল বুলি কৈ ঘটনাক নিন্দা কৰে অখিল গগৈয়ে। চিপিআইমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে কয় যে মই প্ৰথমবাৰৰ বিধায়ক। এনেকৈ খেদি অহাত আচৰিত হৈছো। আজি আন বিধায়কে বাধা নিদিয়া হ’লে শাৰীৰিকভাৱে আক্ৰমণ কৰিলেহেঁতেন। কিন্তু আচৰিতভাৱে সাধাৰণ ৱাৰ্ণিং এটা দি দায় সাৰিলে। ইপিনে বিৰোধিৰ দাবীৰ পিছতে ৰূপজ্যোতি কুৰ্মীয়ে ক্ষমা বিচাৰে। ৰূপজ্যোতি কুৰ্মীয়ে কয় যে মোৰ বিধানসভাত ২০ বছৰীয়া অভিজ্ঞতা আছে। মই শাসক-বিৰোধী য’তেই আছোঁ ত’তেই কেতিয়াও আনে বক্তব্য ৰাখোঁতে মাজত মাত মতা নাই। চাহ জনগোষ্ঠীক লৈ নিজকে ৰজাঘৰীয়া বুলি ভবা অখিল গগৈ, দেৱব্ৰত শইকীয়াই ব্ৰিটিছৰ দৰেই নীতি লৈ অপমান কৰি আহিছিল। ধোদৰ আলিক লৈ মই বক্তব্য ৰাখিছিলো। সেই সময়ত মাত মতাত মই খঙত যি কৰিলো তাৰ বাবে ক্ষমা বিচাৰিছো। কুৰ্মীৰ আচৰণে সামাজিক মাধ্যমতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘মিনি বাংলাদেশ’ৰ বিৰুদ্ধে উত্তাল

বাজেট অধিৱেশনৰ দ্বাদশ দিনটোত সুধাংশু ত্ৰিৱেদীয়ে ধুবুৰীক ‘মিনি বাংলাদেশ’ আখ্যা দিয়া মন্তব্যক লৈ ভৰ্ৎসনা প্ৰস্তাৱৰ দাবী উত্থাপন কৰে কংগ্ৰেছে। সুধাংশু ত্ৰিবেদীয়ে বিতৰ্কিত মন্তব্যক লৈ আজি অসম বিধানসভাত অচলাৱস্থাৰ সৃষ্টি হয়। আজি কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই সাংসদ সুধাংশু ত্ৰিবেদীৰ বিৰুদ্ধে গৰিহণা দি ভৰ্ৎসনা প্ৰস্তাৱ আনে। কিন্তু অধ্যক্ষই ভৰ্ৎসনা প্ৰস্তাৱ নাকচ কৰে। দেৱব্ৰত শইকীয়াই কয় যে সুধাংশু ত্ৰিৱেদীৰ মন্তব্যই অসম আৰু অসমীয়াক অপমানিত কৰিছে। সেয়েহে বিধানসভাৰ মজিয়াক গৰিহণা দি ভৎৰ্সনা প্ৰস্তাৱ গ্ৰহণ কৰা হওক। ধুবুৰী জিলা পাকিস্তান আৰু বাংলাদেশত কেতিয়াও অন্তৰ্ভুক্ত নাছিল। ব্ৰিটিছৰ অধীনত আছিল। ধুবুৰীত বহু স্বাধীনতা সংগ্ৰামী আছিল। যোগেন্দ্ৰনাথ ৰয় প্ৰধানী, টোটাৰাম ৰয়, নৰেন্দ্ৰ চক্ৰৱৰ্তী, শৰৎচন্দ্ৰ সিংহলৈকে বহুজন স্বাধীনতা সংগ্ৰামী ধুবুৰীৰ। সুধাংশু ত্ৰিবেদীৰ এই মন্তব্যৰ বিৰোধিতা কৰি বিধানসভাৰ তৰফৰ পৰা প্ৰস্তাৱ ল’ব লাগে। লোকসভাক জনাব লাগে যে তেওঁৰ মন্তব্যৰ বিৰুদ্ধে ভৰ্ৎসনা কৰা হৈছে। বিৰোধী দলপতিক সমৰ্থন জনাই এআইইউডিএফ দলে। এআইইউডিএফ দলে কয় যে অসম বিধানসভাৰ অধ্যক্ষক সাংসদ সুধাংশু ত্ৰিবেদীৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ ল’ব লাগে। সংসদত সুধাংশু ত্ৰিবেদীয়ে এনআৰচি প্ৰসংগত ভুল তথ্য দিছে। আমি এনআৰচিখন মনা নাই। আমি এনআৰচি মানিলোহেঁতেন। চৰকাৰে ১৯ লাখ মানুহক এনআৰচিৰ পৰা বাহিৰত ৰাখিছে। তেওঁলোকক এনআৰচিখনৰ বাবে আপিল কৰিব দিয়া নাই। তেওঁলোকক ৰিজেকচন শ্লিপখন দিয়া নাই। সংসদত এনে ভুল তথ্য দি আমাৰ সমগ্ৰ অসমৰ মানুহক অপমান কৰিছে। সেই কাৰণে তেওঁৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ ল’ব লাগে। বিৰোধী দলপতিক উভতি ধৰে ভৱেশ কলিতাই। এইখন উচ্চ সদন নহয় বুলি কয়। যাৰ ফলত সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। প্ৰত্যুত্তৰ দি দেৱব্ৰত শইকীয়াই কয় যে অসমৰ মানুহক সংসদত অপমান কৰিছে। এনে কথা সহ্য কৰা নহ’ব। তেওঁৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ ল’ব লাগে। ধুবুৰীৰ মানুহ বাংলাদেশী নেকি? যদিহে বাংলাদেশী তেন্তে পঠিয়াই দিয়ক। ভাৰতীয়ক বাংলাদেশী বুলি কৈ কিয় অপমান কৰিব নোৱাৰিব? এআইইউডিএফৰ বিধায়ক ৰফিকুল ইছলামে সদনত কয় যে বিধানসভাত তেখেতৰ বিৰুদ্ধে গৰিহণাৰ প্ৰস্তাৱ ল’ব লাগে। এজন সাংসদে নাজানে নেকি যে ধুবুৰী ভাৰত তথা অসমৰ অংগ। এআইইউডিএফৰ বিধায়ক ৰফিকুল ইছলামে অসম চৰকাৰৰ পৰা আমি বিবৃতি বিচাৰে। তেওঁ কয় যে ধুবুৰী লোকসভা সমষ্টিত অসম চৰকাৰে ভাৰতৰ অংশৰূপে মানে নে নাই? যদিহে মানে তেন্তে ৰাজ্যসভাৰ সাংসদ সুধাংশু ত্ৰিবেদীৰ মন্তব্য খণ্ডন কৰি গৰিহণা দিয়ক। ইপিনে ধুবুৰী জিলাৰ গোলাকগঞ্জ আৰক্ষী থানাত বিজেপি সাংসদ সুধাংশু ত্ৰিবেদীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতিয়া পৰিষদৰ ধুবুৰী জিলা সমিতিয়ে। এই মন্তব্যক বিভাজনকাৰী বুলি গৰিহণা দিয়ে সংগঠনটোৱে। গৰিয়া-মৰিয়া-দেশী জাতিয়া পৰিষদে ধুবুৰীৰ ভাৱমূৰ্তি কলুষিত কৰাৰ লগতে অনুভূতিত আঘাত হনাৰ অভিযোগ আনে। প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ, প্ৰতিমা বৰুৱা পাণ্ডে, ক্ৰিকেটাৰ জাভেদ জামান, কোঁচ ৰাজা নৰনাৰায়ণ আৰু জমিদাৰ প্ৰভাত চন্দ্ৰ বৰুৱাৰ দৰে প্ৰখ্যাত ব্যক্তিসকলৰ অৱদান আছে ধুবুৰীত। ত্ৰিবেদীৰ এই মন্তব্যত ব্যাপক ক্ষোভৰ সৃষ্টি হৈছে। স্থানীয় সংগঠনসমূহে এই মন্তব্যক তীব্ৰ সমালোচনা কৰিছে। ত্ৰিবেদীৰ মন্তব্যই অঞ্চলটোৰ ঐতিহ্যক অৱজ্ঞা কৰিছে। কোঁচ-ৰাজবংশী নেতা অলকেশ ৰয়ে ধুবুৰীৰ জনসাধাৰণক প্ৰতিবাদ কৰিবলৈ আহ্বান জনায়। অঞ্চলটোৰ বিষয়ে ঐতিহাসিক আৰু ভৌগোলিক সজাগতাৰ অভাৱৰ বাবে সাংসদজনক সমালোচনা কৰি ত্ৰিবেদীয়ে ৰাজহুৱাভাৱে ক্ষমা প্ৰাৰ্থনা নকৰিলে প্ৰতিবাদ কৰা হ’ব বুলি কয় কোচ ৰাজবংশীৰ নেতা অলকেশ ৰয়ে।

# ধূপধৰাত যৌথ সংগ্ৰাম পৰিষদৰ প্ৰাৰ্থীৰ সমূহীয়া ইফটাৰত অংশগ্ৰহণ

**ই-সংবাদ, ধূপধৰা, ২১ মাৰ্চঃ** অহা দুই এপ্ৰিলত অনুষ্ঠিত হ'ব ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন। এই নিৰ্বাচনক কেন্দ্ৰ কৰি ইতিমধ্যে ৰাভা হাছং এলেকাৰ পৰিষদীয় সমষ্টিসমূহত প্ৰাৰ্থীসকলৰ মাজত শেষাংশ ৮ পৃষ্ঠাত

# লাহৰীঘাটত ঠিকাদাৰৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ

**ই-সংবাদ, লাহৰীঘাট, ২১ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ হাৰিয়াবিল গাঁৱত লোকনিৰ্মাণ বিভাগৰ পথ নিৰ্মাণত সংঘটিত হৈছে দুৰ্নীতি আৰু অনিয়ম। নিম্নমানৰ পথ নিৰ্মাণত ক্ষুব্ধ হৈ আজি স্থানীয় ৰাইজে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ ঋষভ শেষাংশ ৭ পৃষ্ঠাত

# লক্ষ্য গ্ৰামাঞ্চল, প্ৰৱঞ্চকৰ জালত নগাঁৱৰ মহিলা

**ই-সংবাদ, বেবেজীয়া, ২১ মাৰ্চঃ** সহজ-সৰল লোকক ঠগি প্ৰৱঞ্চনাৰে ধন আত্মসাৎ কৰা ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ বিৰুদ্ধে চৰকাৰে যিমানেই কঠোৰ পদক্ষেপ গ্ৰহণ নকৰক কিয় আজিও এচাম প্ৰৱঞ্চকে সহজ ধন আহৰণৰ চেষ্টাৰে গ্ৰামাঞ্চলত শেষাংশ ৮ পৃষ্ঠাত

# জোনাইৰ নিৰুদ্দিষ্ট কিশোৰীৰ মৃতদেহ পুখুৰীত উদ্ধাৰ

**ই-সংবাদ, ২১ মাৰ্চঃ** জোনাইত দুদিন ধৰি নিৰুদ্দেশ হৈ থকা দুই কিশোৰীৰ মৃতদেহ উদ্ধাৰ। এই কৰুণ ঘটনাক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে অঞ্চলটোত। জোনাইৰ ১নং মিলনপুৰ গাঁৱত শেষাংশ ৮ পৃষ্ঠাত




যাৰ য'ত স্থান, তাত থাকিব লাগে... শিৱসাগৰত ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে ৰাইজৰ দলৰ প্ৰতিবাদ, ফটোঃ সংগ্ৰহ

## সুধাংশু ত্ৰিবেদীৰ বিৰুদ্ধে গোলকগঞ্জ থানাত এজাহাৰ

# ধুবুৰী বাংলাদেশক গটালে বিজেপিয়ে!

**ই-সংবাদ, গোলকগঞ্জ, ২১ মাৰ্চঃ** ৰাজ্যসভাৰ সাংসদ তথা প্ৰবীণ বিজেপি নেতা সুধাংশু ত্ৰিবেদীয়ে কালি ৰাজ্যসভাত ধুবুৰী জিলাক মিনি বাংলাদেশ বুলি আখ্যা দিয়াৰ পিছতে ক্ষোভত ফাটি পৰিছে জিলাখনৰ বিভিন্ন দল-সংগঠন। আজি সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ধুবুৰী জিলা সমিতিয়ে এই সন্দৰ্ভত গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে। এই সন্দৰ্ভত সদৌ অসম শেষাংশ ৭ পৃষ্ঠাত

# বিধানসভা মল্লযুঁজৰ থলী নহয়, ‘অজাপ’ই সকীয়ালে ৰূপজ্যোতিক

## সদনৰ গৰিমা হ্ৰাস, ক্ষমা খোজক মুখ্যমন্ত্ৰীয়ে

**ই-সংবাদ, ২১ মাৰ্চঃ** “অসম বিধানসভাৰ মজিয়াত আজি বিজেপি বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কৰা আচৰণে অসমৰ জনসাধাৰণক ব্যথিত কৰিছে। বিধানসভাৰ মজিয়াখন ৰাইজৰ আশা-ভৰষাৰ থল। সেইখন নিশ্চয় মল্লযুঁজৰ থলি নহয়। কিন্তু বিধায়কগৰাকীয়ে চোলাৰ আস্তিন কোঁচাই আন বিধায়কৰ ওচৰলৈ চোঁচা লৈ যোৱাটো গণতান্ত্ৰিকতো নহয়েই, বৰং সেয়া গুণ্ডাৰাজ মানসিকতাৰ প্ৰতিফলন। এটা সময়ত এনে ধৰণৰ ঘটনা বিহাৰ-উত্তৰ প্ৰদেশৰ দৰে ৰাজ্যত সংঘটিত হোৱা আমি শেষাংশ ৮ পৃষ্ঠাত

# গুৱাহাটীত বিহাৰ-ৰাজস্থানৰ চোৰৰ এটা বৃহৎ চক্ৰ উৎখাত

**ই-সংবাদ, ২১ মাৰ্চঃ** গুৱাহাটী আৰক্ষীয়ে এত অভিযান চলাই বৃহৎ সফলতা লাভ কৰিছে। ফাঁচী বজাৰৰ জিএমচি বজাৰত সমীপত আৰু ফটাশিল আমবাৰীৰ ধীৰেণপাৰাৰ দুটা পৃথক গুদামত বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। দুটা গুদামত কেইবা কুইন্টল তামৰ তাঁৰ, শেষাংশ ৭ পৃষ্ঠাত

## বিধানসভাৰ ঘটনাৰ পাৰ্শ্বক্ৰিয়া

# শিৱসাগৰত প্ৰৱেশ নিষিদ্ধ ৰূপজ্যোতিৰ

**ই-সংবাদ, শিৱসাগৰ , ২১ মাৰ্চঃ** বিধান সভাৰ মজিয়াত বিৰোধী বিধায়কক প্ৰহাৰ কৰিবলৈ চোঁচা লোৱা তথা অভব্য আচৰণে সীমা চেৰাই যোৱা বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে শিৱসাগৰতো ক্ষোভৰ জোৱাৰ উঠিছে। বিশেষকৈ ৰাইজৰ দলে ৰূপজ্যোতি কুৰ্মীৰ গুণ্ডা গিৰি সহজভাৱে ল'ব পৰা নাই। বিধায়ক শ্বেৰমান আলিৰ উপৰিও শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈকো প্ৰহাৰ কৰিবলৈ একপ্ৰকাৰৰ উদ্যত হোৱাৰ খবৰ লাভ কৰাৰ লগে লগে বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে শিৱসাগৰত সৰৱ হৈ পৰে ৰাইজৰ দল। শেষাংশ ৭ পৃষ্ঠাত

# কণা হাঁহক পতান! ৪ লাখৰ ঠাইত ৪০ হাজাৰৰ ক্ষতিপূৰণ

**ই-সংবাদ, মধ্য মাজুলী, ২১ মাৰ্চঃ** ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে মাজুলীৰ জুগুনীধাৰী মথাউৰি উটুৱাই নিয়াৰ সময়ত ক্ষতিগ্ৰস্ত দুৰ্ভগীয়া পৰিয়ালসমূহে আজি ৯ টা মাহে তেওঁলোকৰ প্ৰাপ্য ধন লাভ নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। মাজুলীৰ কমলাবাৰী-পহুমৰা সংযোগী মথাউৰীৰ জুগুনিধাৰীত ব্ৰহ্মপুত্ৰ বাঢ়নি পানীয়ে যোৱা বৰ্ষৰ ১ জুলাইত এটা অংশ চিঙি নিয়াৰ ফলত জুগুনীধাৰী গাঁৱৰ নিবাসী ক্ৰমে পূণ্য শইকীয়া আৰু বলিন শইকীয়াৰ ঘৰ সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱাৰ বিপৰীতে প্ৰভাত শইকীয়া,মন্তু ভূএগ, জীৱন শইকীয়া, বাপকণ শইকীয়া, দিলীপ শইকীয়া, মানিক শইকীয়া আৰু মানিক কাকতিৰ ঘৰ আংশিকভাৱে ক্ষতিগ্ৰস্ত শেষাংশ ৮ পৃষ্ঠাত

মাজুলীৰ জুগুনধাৰী মথাউৰি চিগি ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালে ৯ টা মাহে লাভ নকৰিলে পুনৰ সংস্থাপন

আংশিক ক্ষতিগ্ৰস্ত পৰিয়ালেও লাভ নকৰিলে প্ৰতিশ্ৰুতি অনুসৰি সাহায্যৰ ধন

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ধুবুৰী বাংলাদেশক গটালে বিজেপিয়ে!

গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ধুবুৰী জিলা সমিতিয়ে এই সন্দৰ্ভত গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে। এই সন্দৰ্ভত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ জিলা সভাপতি আফজালুৰ ৰহমানে সাংবাদিকক কয় যে ধুবুৰী সম্পৰ্কত কোনো জ্ঞান নথকাকৈ ত্ৰিবেদী ধুবুৰী সম্পৰ্কত মন্তব্য কৰি ধুবুৰীবাসীক অপমান কৰিছে। তেওঁ নাজানে ধুবুৰী চিলাৰায়ৰ ভূমি, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ ভূমি, ভাওৱাইয়া গানৰ সম্ৰাট আলাউদ্দিন সৰকাৰৰ ভূমি হয়। এই ভূমি কোচ ৰাজবংশী জনগোষ্ঠীৰ ভূমি হয়, আলী, মেচৰ ভূমি হয়। দেশী জনগোষ্ঠীকে ধৰি বিভিন্ন জনগোষ্ঠীৰ মিলন ভূমি হয়। স্বল্প জ্ঞান লৈ এনে তীৰ্যক মন্তব্য কৰা কেতিয়াও মানি লোৱা নহ'ব। ধুবুৰীত ক'ত বাংলাদেশী আছে দেখুৱাই দিবলৈ তেওঁ প্ৰত্যাহ্বান জনায়। ধুবুৰীত যদি এজনো বাংলাদেশী আছে ২০১৪ চনৰ পৰা বিজেপি চৰকাৰে কি কৰি আছে বুলিও প্ৰশ্ন কৰে। ইয়াৰ বাবে আফজালুৰ ৰহমানে সাংসদ সুধাংশু ত্ৰিবেদীক ক্ষমা খোজাৰ আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত বিহাৰ-ৰাজস্থানৰ চোৰৰ এটা

বাচন, এলুমিনিয়ামৰ সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চুৰি সামগ্ৰীৰ ব্যৱসায় কৰি থকা বিহাৰ আৰু ৰাজস্থানৰ তিনিজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। আজি পাণবজাৰ আৰক্ষী থানাৰ সহকাৰী আৰক্ষী আয়ুক্তৰ তত্বাৱধানত ফাঁচী বজাৰ আৰক্ষী চকীৰ সহযোগত অভিযান চলাইছিল। অভিযানত তিনিজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। ৰাজস্থানৰ বাসিন্দা মনোজ কুমাৰ চাৰ্দা, বিহাৰৰ চুতুন ৰাউত আৰু ৰাজস্থানৰ দামোদৰ পাণ্ডেক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত আজি প্ৰথমে ফাঁচী বজাৰৰ জিএমচি মাৰ্কেটৰ ওচৰত অভিযান চলাই তিনিজন লোকক গ্ৰেপ্তাৰৰ কৰি গুদামৰ পৰা চুৰি সামগ্ৰী উদ্ধাৰ কৰে। গ্ৰেপ্তাৰ হোৱা তিনিওজন লোকৰ স্বীকাৰোক্তিৰ ভিত্তিত ধীৰেনপাৰাত অভিযান চলে। অসমত মূল্যৱান সামগ্ৰী চুৰি কৰি প্ৰথমে গুদামত একত্ৰিত কৰা হয়। তাৰ পিছতে বহিঃৰাজ্যলৈ সৰবৰাহ কৰা হয়। দিল্লী আৰু কলকাতা আদিৰ দৰে ঠাইলৈ সৰবৰাহ কৰি বৃহৎ দামত বিক্ৰী কৰা হয়। ৰাজস্থান আৰু বিহাৰৰ মনোজ কুমাৰ চাৰ্দা, চুতুন ৰাউত আৰু দামোদৰ পাণ্ডেয়ে দীৰ্ঘদিন ধৰি গুৱাহাটীৰ পৰা দেশৰ বিভিন্ন প্ৰান্তলৈ অসমৰ চুৰি সামগ্ৰীৰ ৰমৰমীয়া বেহা চলাই আহিছিল। গুৱাহাটীৰ চুকে-কোনে গঢ়ি উঠা ডেম্পত বিভিন্ন চোৰে সামগ্ৰীসমূহ বিক্ৰী কৰিছিল। তাৰ পৰা এই চক্ৰটোৱে ক্ৰয় কৰিছিল। প্ৰথমে ফাঁচী বজাৰৰ পৰা ধীৰেনপাৰালৈ অনা হয়। ফাঁচীবজাৰত ৭৬ কিলো তামৰ তাঁৰ, লোহা আৰু এলুমিনিয়ামৰ ১৬১ কিলো বাচন, তামৰ ৮টা জাৰ, ৫১ খন প্লেট, ৮০টা ঘটি, ৬৪টা গিলাচ, ৫৪টা পিতলৰ বাতি, ৬ কিলো বৈদ্যুতিক তাঁৰ, ৯ কিলো এচিৰ তামৰ পাইপ, ১১৭ কিলো এলুমিনিয়ামৰ পাইপ, ৪০ কিলো লোহা, ৩টা ৰূপৰ পাত্ৰ, এটা এলুমিনিয়ামৰ পাত্ৰ, ৭টা বাল্টি, ২০ কিলো এলুমিনিয়ামৰ বৰ্গ আকৃতিৰ পাত্ৰ, এটা মটৰ, ৩টা গাড়ীৰ জেক, ১৫টা পিতলৰ চৰিয়া উদ্ধাৰ হয়। আনহাতে ধীৰেণপাৰাত ৪৬৮ কিলো তাম তাঁৰ, ৭৬ কিলো তামৰ এচি পাইপ, ৫টা বেটাৰী, ৭ কিলো এলুমিনিয়ামৰ বৈদ্যুতিক তাঁৰ, ২৬১ কিলো পিতলৰ বাচন, ৪১০ কিলো লোহাসহ বহু সামগ্ৰী উদ্ধাৰ হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত প্ৰৱেশ নিষিদ্ধ ৰূপজ্যোতিৰ

আজি বিয়লি ৰাইজৰ দলৰ বহু সংখ্যক বিষয়ববীয়া তথা কৰ্মীয়ে শিৱসাগৰৰ দৌলমুখ চাৰিআলিত ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে শিৱসাগৰত প্ৰৱেশ নিষিদ্ধ কৰা হ'ব বুলি ঘোষণা কৰে। ৰাইজৰ দলৰ কৰ্মী সকলে বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ প্ৰতিকৃতি দাহ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। হাতে হাতে প্লে-কাৰ্ড লৈ ৰূপজ্যোতি কুৰ্মী মুৰ্দাবাদ, ৰূপজ্যোতি কুৰ্মীক গ্ৰেপ্তাৰ কৰক, ৰূপজ্যোতি কুৰ্মীৰ দাদাগিৰি নচলিব আদি শ্লোগান দি উত্তাল কৰে পৰিৱেশ। শীঘ্ৰেই বিধায়ক ৰূপজ্যোতি কুৰ্মীক অখিল গগৈৰ ওচৰত ক্ষমা খোজাৰ দাবী জনাই। ইয়াৰ উপৰিও পবিত্ৰ সদনৰ মজিয়া কলুষিত কৰা এনে গুণ্ডা প্ৰকৃতিৰ বিধায়কক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব লাগে বুলি দাবী উত্থাপন কৰে ৰাইজৰ দলে। প্ৰতিবাদী কাৰ্যসূচীত অংশলৈ ৰাইজৰ দলৰ শিৱসাগৰ সমষ্টিৰ সভাপতি জিতুজ্যোতি গায়নে ৰূপজ্যোতি কুৰ্মীয়ে বিধান সভাৰ মজিয়াত যি অসভ্য আচৰণ কৰিলে তাক কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি ক্ষোভ প্ৰকাশ কৰে। জিতুজ্যোতি গায়নে আৰু কয়, "ৰূপজ্যোতি কুৰ্মীয়ে আজি সীমা চেৰাই গৈছে। তেওঁক ক্ষমতাই মূৰত ধৰিছে। ৰূপজ্যোতি কুৰ্মীৰ আচৰণগণতান্ত্ৰিক শাসন ব্যৱস্থাৰ বাবে বিপদজনক। তেওঁক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা উচিত। অনাগত দিনত ৰূপজ্যোতি কুৰ্মী যি কাৰণতেই নাহক লাগে, সম্পূৰ্ণ বাধা দিয়া হ'ব।" প্ৰতিবাদী কাৰ্যসূচীত ৰাইজৰ দলৰ উপৰিও কৃষক মুক্তি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়াই অংশগ্ৰহণ কৰি মৰিয়নি সমষ্টিৰ বিজেপি বিধায়ক ৰূপজ্যোতি কুৰ্মীক তীব্ৰ গৰিহণা দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# লাহৰীঘাটত ঠিকাদাৰৰ বিৰুদ্ধে উত্তাল

জৈন আৰু মৰিগাঁও জিলা লোকনিৰ্মাণ বিভাগৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে গেৰুৱা অঞ্চলৰ পাত্ৰবড়িৰ পৰা লাউভুৰুঙ্গা চাৰিআলিলৈকে মৰিগাঁও জিলা লোকনিৰ্মাণ বিভাগৰ অধীনত পথ নিৰ্মাণৰ কাম চলি আছে। উক্ত পথটো নিৰ্মাণৰ ঠিকা লাভ কৰিছে ঋষভ জৈন নামৰ এগৰাকী ঠিকাদাৰে। বৰ্তমান ঠিকাদাৰগৰাকীয়ে অতি নিম্ন মানেৰে পথটোৰ নিৰ্মাণ কাৰ্য চলাই আছে। যাৰফলত পথটো নিৰ্মাণৰ পাছতেই পূৰ্বৰ পথৰ পৰা বখলা বখল এৰি আহিব ধৰিছে। অভিযোগ মতে, নিশা নিশা পথ নিৰ্মাণৰ কাম চলাই ব্যাপক দুৰ্নীতি আৰু অনিয়ম সংঘটিত কৰিছে। ইফালে, কালি নিশা তেনেদৰে পথ নিৰ্মাণৰ কাম চলাই থকাৰ অৱস্থাতে স্থানীয় গাঁওবাসী ক্ষুব্ধ হৈ পথ নিৰ্মাণৰ কাম বন্ধ কৰি দিয়াত মৰিগাঁও জিলা লোকনিৰ্মাণ বিভাগৰ লোক গৈ ঘটনাস্থলীত উপস্থিত হয়। পাছত স্থানীয় লোকে বিভাগীয় লোককেইজনক অতি নিম্ন মানেৰে পথ নিৰ্মাণৰ কাম চলাই থকা কথা অৱগত কৰে যদিও ঠিকাদাৰৰ পক্ষতহে বিভাগটোৰ লোককেইগৰাকীয়ে ওকালতি কৰে বুলি স্থানীয় লোকে অভিযোগ তুলিছে। পথটোৰ নিৰ্মাণ কাৰ্য বুজ নলৈ কেৱল ঠিকাদাৰগৰাকীকহে সুৰক্ষা দিবলৈ চেষ্টা চলোৱাত স্থানীয় ৰাইজ অধিক ক্ষুব্ধ হৈ উঠে আৰু নিম্নমানৰ কাম বন্ধ ৰাখিবলৈ দাবী জনায়। ইফালে, পথৰ কামৰ আৰম্ভণিতে ঠিকাদাৰগৰাকীয়ে পথটো নিৰ্মাণৰ প্ৰাককলনসহ সকলো তথ্য লিপিবদ্ধ কৰি নামফলক আঁৰি দিব লাগে যদিও পথটোত কিন্তু আজিও কোনো নামফলক আঁৰি দিয়া পৰিলক্ষিত নহ'ল। আনকি মৰিগাঁও জিলা লোকনিৰ্মাণ বিভাগৰ বিষয়া-অভিযন্তাক এই সকলোবোৰ অভিযোগ দিয়াৰ পাছতো নীৰৱতা অৱলম্বন কৰাহে অভিযোগ উঠিছে। যাৰবাবে ঠিকাদাৰ ঋষভ জৈনে পথটো কেনেদৰে নিৰ্মাণ কাৰ্য চলাই আছে এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকাকীক এক উচ্চপৰ্যায়ৰ তদন্ত কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# লক্ষ্য গ্ৰামাঞ্চল, প্ৰৱঞ্চকৰ জালত

পিয়াপি দি ফুৰিছে। এইবাৰ এইসকল প্ৰৱঞ্চকে লক্ষ্য হিচাপে বাছি লৈছে গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলক। সুচতুৰ প্ৰৱঞ্চকসকলে গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলক অধিক লাভ দিয়াৰ প্ৰলোভনেৰে নিজৰ অসৎ অভিপ্ৰায় পূৰণৰ অৰ্থে জাল পেলাইছে ভিতৰুৱা গ্ৰামাঞ্চলবোৰত। শেহতীয়াভাৱে এনে এক প্ৰৱঞ্চকৰ জালত ভৰি দি আৰক্ষীৰ দুৱাৰে দুৱাৰে ন্যায় বিচাৰি ঘুৰিব লগা হৈছে নগাঁও জিলাৰ এগৰাকী মহিলা ক্ষুদ্ৰ ব্যৱসায়ী। গেলামালৰ দোকানেৰে ব্যৱসায় চলাই অহা এই মহিলাগৰাকীয়ে জনৈক ইলিয়াছ নামৰ এটা ভুৱা বেংকৰ মুৰব্বীৰ বিৰুদ্ধে তেনে ভয়ংকৰ অভিযোগ উত্থাপন কৰিছে। অভিযোগ অনুসৰি, এইজন অসাধু প্ৰকৃতিৰ ব্যক্তিয়ে শ্বাকিল চেল্ফ হেল্ফ গ্ৰুপ নামৰ এটা বিত্তীয় প্ৰতিষ্ঠান খুলি গ্ৰামাঞ্চলৰ খুচুৰা দোকানীৰপৰা অধিক মুনাফা প্ৰদানৰ প্ৰতিশ্ৰুতিৰে দৈনিক আদায় কৰিছে হাজাৰ হাজাৰ টকা। ইয়াৰ অংশহিচাপে উক্ত মহিলা ব্যৱসায়ীগৰাকীক বছেৰেকৰ মূৰত প্ৰায় ৮০ হাজাৰ টকা সমুদায় প্ৰদানৰ নিশ্চয়তা দি বিত্তীয় প্ৰতিষ্ঠানটোৰ গৰাকী ইলিয়াছে দৈনিক দুশ টকাকৈ আদায় লৈছিল যদিও সম্প্ৰতি নিৰ্ধাৰিত সময় উকলি যোৱাৰ প্ৰায় তিনিমাহৰ পিছতো উক্ত ধন আদায় নিদি তেওঁ ৰচনা কৰিছে প্ৰৱঞ্চনাৰ ন ন কৌশল। যাৰবাবে ইতিমধ্যে ভুক্তভোগী মহিলাগৰাকীয়ে প্ৰৱঞ্চক ইলিয়াছৰ বিৰুদ্ধে বটদ্ৰৱা আৰক্ষী থানাত সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। এতিয়া প্ৰশ্ন হৈছে ভুক্তভোগী মহিলাগৰাকীয়ে নিজৰ জমা কৰা গাঁঠিৰ ধন ঘূৰাই পাবলৈ সক্ষম হ'ব নে? মহিলাগৰাকীৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ভুৱা বিত্তীয় প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে কেনে পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হৈ পৰিছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কণা হাঁহক পতান! ৪ লাখৰ ঠাইত ৪০

হৈছিল। বলিন শইকীয়া আৰু পূণ্য শইকীয়াৰ বাসগৃহ সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱাৰ লগতে গৰু ছাগলী, ভড়াল, গোহালি বানপানীত উটি যোৱাৰ পিছত পৰিয়ালকেইটা সৰ্বস্বান্ত হৈ পৰিছিল। তেতিয়া প্ৰথমে ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰনোজ পেগু, জলসম্পদ মন্ত্ৰী পিয়ুষ হাজৰিকাই বান পৰিস্থিতি বুজ লৈ দুৰ্গত পৰিয়াল কেইটাক সকাহ তথা পুনৰ সংস্থাপনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। সমান্তৰালভাৱে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো ঐতিহাসিক আউনীআটী সত্ৰৰ নিচেই সমীপৰ গাঁও খনৰ চিগা অংশ পৰিদৰ্শন কৰি দুৰ্গত পৰিয়াল কেইটাৰ সৈতে মত-বিনিময় কৰি পৰিয়ালকেইটাক পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰিছিল। প্ৰায় দুদিনৰ পিছতে সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱা বলিন শইকীয়া আৰু পূণ্য শইকীয়াক ১ লাখ ২০ হেজাৰ টকাৰ চেক দিয়াৰ লগতে আংশিকভাৱে ক্ষতিগ্ৰস্ত পৰিয়াল ক্ৰমে প্ৰভাত শইকীয়া, মন্তু ভূঞা, জীৱন শইকীয়া, বাপকণ শইকীয়া, দিলীপ শইকীয়া, মানিক শইকীয়া আৰু মানিক কাকতি আদি পৰিয়াল কেইটাক ১৪,৫০০ টকাৰ চেক প্ৰদান কৰে। পৰৱৰ্তী সময়ত উত্তৰ কমলাবাৰী সত্ৰত অনুষ্ঠিত হোৱা এখন সভাত অংশগ্ৰহন কৰি ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই সম্পূৰ্ণ ক্ষতিগ্ৰস্ত পৰিয়াললৈ ৪ লাখ টকা আৰু আংশিকভাৱে ক্ষতিগ্ৰস্ত পৰিয়াললৈ ১ লাখ ২০ হেজাৰ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল ভূক্তভোগী পৰিয়াকেইটাক। কিন্তু সম্পূৰ্ণভাৱে ক্ষতিগ্ৰস্ত পৰিয়ালে ৪ লাখৰ ঠাইত মাত্ৰ ৪০ হেজাৰ টকাহে লাভ কৰিলে। বাকী ৩ লাখ ৬০ হেজাৰ টকাৰ বাবে মাজুলীৰ আয়ুক্ত কাৰ্যালয়লৈ তাঁতবাটি কৰি কৰি ভাগৰি পৰাৰ কথা প্ৰকাশ কৰিছে বলিন শইকীয়াই। ফলত বিগত ৯ মাহে পথাৰৰ মাজত এখন চালিৰ তলত কণমানি এমাদিমা শিশু দুটিৰ সৈতে বলিন শইকীয়াৰ পৰিয়ালে বসবাস কৰিবলগীয়া হৈছে। কিন্তু চ'ত মাহ অহাৰ লগে লগে দেখা দিয়া বতাহ ধুমুহাই উক্ত টিণৰ চালিও উৰুৱাই লৈ যায়। ইফালে সমাগত বাৰিষাত পুনৰ ঘৰৰ চালি খুলি অন্য ঠাইলৈ উঠাই নিবলৈ তেওঁলোক প্ৰস্তুত থাকিব লাগিব। ইফালে আংশিকভাৱে ক্ষতিগ্ৰস্ত পৰিয়ালকেইটায়ো প্ৰতিশ্ৰুতি অনুসৰি ১ লাখ ২০ হেজাৰ টকাৰ সাহাৰ্য্য আজিকোপতি লাভ নকৰাৰ অভিযোগ উঠিছে। মথাউৰীটো চিগাৰ ২২ দিনৰ ভিতৰতে জিঅ' মেগা টিউবেৰে চিগা অংশ নিজৰ পচন্দৰ ঠিকাদাৰৰ হতুৱাই নিৰ্মাণ কৰি বিভাগীয় মন্ত্ৰী আৰু মাজুলীৰ বিধায়ক ভুৱন গামে বাঃ বাঃ ঠিকেই ল'লে যদিও মথাউৰি চিগি ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালে প্ৰাপ্য সাহাৰ্য্য ৯ মাহে লাভ নকৰাটো এতিয়া দুৰ্ভাগ্যজনক বুলি চৰ্চা হৈছে। এতিয়া বাৰিষাৰ পূৰ্বেই প্ৰাপ্য সাহাৰ্য্য মোকলাই দিবলৈ ভুক্তভোগীয়ে দাবী জনাইছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জোনাইৰ নিৰুদ্দিষ্ট কিশোৰীৰ মৃতদেহ

বৃহস্পতিবাৰে বিয়লি প্ৰায় ২.৩০ বজাৰ পৰা নিৰুদ্দেশ হৈ থকা দুই কিশোৰীৰ মৃতদেহ আজি উদ্ধাৰ হয়। ঘৰৰ কাষতে থকা এটা পুখুৰীত পুতি থোৱা অৱস্থাত উদ্ধাৰ মৃতদেহ দুটা। ঘটনাৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও পুখুৰীৰ গৰা খহাৰ ফলত মৃত্যু হোৱা বুলি সন্দেহ কৰিছে স্থানীয় ৰাইজে। ইতিমধ্যে ঘটনা স্থলীত জোনাই আৰক্ষী উপস্থিত হৈ মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃত কিশোৰী দুগৰাকীৰ নাম ৭ বছৰীয়া হীৰা পেগু আৰু ৯ বছৰীয়া জিৰি কুলি বুলি জানিব পৰা গৈছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিধানসভা মল্লযুঁজৰ থলী নহয়, অজাপই

দেখিছিলো। হিমন্ত বিশ্ব শৰ্মাৰ সৌজন্যত সেই ৰাজনীতি এতিয়া অসম বিধান সভাৰ মজিয়াত দেখা পোৱা গৈছে। এয়া দুৰ্ভাগ্যজনক।" - বক্তব্য অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাৰ। আজি এক বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ আচৰণ সন্দৰ্ভত জাতীয় পৰিষদৰ নেতাদ্বয়ে লগতে কয়, "বিধান সভাৰ নেতা হৈছে মুখ্যমন্ত্ৰী। যেতিয়া স্বয়ং মুখ্যমন্ত্ৰীগৰাকীয়ে অসম বিধান সভাত অগণতান্ত্ৰিক আৰু তৰল বক্তব্যৰে সদনৰ গুৰুত্ব হ্ৰাস কৰাৰ পৰিৱেশ ৰচনা কৰাত আগৰণুৱা হৈ থাকে, গতিকে তেখেতৰ দলৰ বিধায়কে তেনে ব্যৱহাৰ কৰাটো অস্বাভাৱিক নহয়।" এনে পটভূমিত সদনৰ গৰিমা হ্ৰাস কৰি জনসাধাৰণক আশাহত কৰাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজে ৰাইজৰ ওচৰত ক্ষমা খুজিব লাগে বুলি গগৈ আৰু ভূঞাই মত প্ৰকাশ কৰে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ধূপধৰাত যৌথ সংগ্ৰাম পৰিষদৰ প্ৰাৰ্থীৰ

তৎপৰতা বৃদ্ধি পাইছে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ১ নং ধূপধৰা পৰিষদীয় সমষ্টিৰ ৰাভা হাছং যৌথ সংগ্ৰাম পৰিষদৰ প্ৰাৰ্থী অনাদী সৰকাৰেও ধূপধৰাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলৰ মাজত নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হৈছে। প্ৰাৰ্থীগৰাকীয়ে পৱিত্ৰ ৰমজান মাহ উপলক্ষে সমূহীয়া ইফতাৰত অংশ লোৱাৰ উদ্দেশ্যে আজি ধূপধৰা জামে মছজিদ প্ৰাংগণত উপস্থিত হৈ ইছলামধৰ্মী লোকসকলৰ লগত মত বিনিময় কৰি আগন্তুক নিৰ্বাচনৰ বাবে দোৱা-আশীৰ্বাদ বিচাৰে। ইয়াৰ উপৰি তেওঁ মছজিদত প্ৰৱেশ কৰি সেৱা প্ৰণিপাত জনায়। যৌথ সংগ্ৰাম পৰিষদৰ প্ৰাৰ্থীগৰাকীয়ে মছজিদত ফলমূলকে ধৰি ইফতাৰৰ খাদ্য সামগ্ৰী প্ৰদান কৰাৰ লগতে সমূহীয়া ইফতাৰত অংশগ্ৰহণ কৰে। তেওঁৰ লগত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক তিলক ৰাভা উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাত বিৰোধী বিধায়কলৈ চোঁচা

হোৱাৰ উদাহৰণ আছে। কিন্তু অসম এনে এখন ৰাজ্য য'ত অসম বিধানসভাত আজিৰ দিনটোলৈ তেনে ঘটনা সংঘটিত হোৱাৰ নজিৰ নাছিল। বিৰোধী আৰু শাসকপক্ষৰ বিধায়কৰ মাজত যুক্তিৰে বাকযুদ্ধ হয় যদিও কোনোকালে অৰাজক পৰিস্থিতিৰ সৃষ্টি হোৱা নাই। কিন্তু আজি মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে সকলো সীমা চেৰাই বিধানসভাক ৰণক্ষেত্ৰ কৰি পেলালে। সহিষ্ণুতা, ধৈৰ্য্য, সহনশীলতাৰ মূৰ্ত প্ৰতীক হৈ থকা অসম বিধানসভাক আজি কলংকিত কৰিলে ৰূপজ্যোতি কুৰ্মীয়ে। বিধানসভাত মুখেৰে অবাইচ, অশ্ৰাব্য কথা কয়। মুখেৰে অবাইচ কথা কোৱাই নহয় আসনৰ পৰা উঠি গৈ বিৰোধিৰ বিধায়কক প্ৰহাৰ কৰিবলৈ উদ্যত হৈছিল। যি দৃশ্য প্ৰত্যক্ষ কৰি হায়ৰাণ হৈ পৰিছে অসমবাসী। কেতিয়াও নোহোৱা-নোপোজা ঘটনা সংঘটিত কৰাত জনপ্ৰতিনিধিৰ স্বাভাৱ, আচৰণক লৈ মুখৰ হৈছে অসমৰ জনতা। অসমৰ লোকে বিধানসভাৰ মজিয়াত কাহানিও এনে উত্তেজনা দেখা নাই। অসম বিধানসভাত সুস্থ আলোচনাৰ অভাৱৰ কথা প্ৰায়েই চৰ্চা হয় যদিও বিধানসভা এতিয়া ঘূচিয়া-ঘূচিৰ থলীত পৰিণিত হোৱা পৰিলক্ষিত হৈছে। এনে ঘটনা অসমবাসীয়ে আগেয়ে দেখা নাছিল। আজি যি অসভ্য আচৰণ দেখুৱালে সেয়া বিধানসভাক চিৰকালৰ বাবে কলংকিত কৰিলে বুলি বিভিন্নজনে ক'ব খোজে। শাসক দলৰ বিধায়কে থিয় দি কথা কোৱাৰ সময়ত বিৰোধীৰ বিধায়কে থিয় হৈ প্ৰত্যুতত্ৰ দিয়াটো এক পৰম্পৰা হিচাপে বিবেচিত হৈ আহিছে। কিন্তু আসনৰ পৰা উঠি গৈ তই তই শব্দ ব্যৱহাৰ কৰি মাইক ভাঙি দিয়াৰ প্ৰয়াস কৰাত আজিৰ দিনটোত অসমৰ বাবে কলংকিত হৈ থাকিল। অখিল গগৈ আৰুবিধায়ক শ্বেৰমান আলি অভিমুখে চোঁচা লৈ ঘোচা মাৰিবলৈ উদ্যত হৈছিল। দুজনমান বিধায়কে বাধা নিদিলে বিধানসভা ৰক্তাক্ত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছিল। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই মাত দিয়াত তই ফাল্টু বুলি উভতি ধৰে। অধ্যক্ষৰ আসন কিছু সময়ৰ পৰা জলেন দৈমাৰী বহি আছিল। কিন্তু সেই সময়তে আহি উপাধ্যক্ষ ডাঃ নোমল মমিন উপস্থিত হয়। উপাধ্যক্ষ ডাঃ নোমল মমিনৰ ভূমিকা আছিল অত্যন্ত দুৰ্বল। প্লিজ প্লিজ শব্দ ব্যৱহাৰ কৰি উপাধ্যক্ষ মমিনে পৰিস্থিতি চম্ভালিব প্ৰয়াস কৰে। কিন্তু সেই সময়তে উপাধ্যক্ষ স্থিতি কঠোৰ হ'ব লাগিছিল। মাৰ্শ্বেল ব্যৱহাৰ কৰি বিধায়ক কুৰ্মীক বাহিৰ কৰি দিয়াৰ প্ৰয়োজন আছিল বুলি বিভিন্নজনে উল্লেখ কৰিছে। জানিব পৰা মতে, আজি সদনত বহু সংখ্যক বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বহি আছিল। কোকৰাঝাৰ কলেজৰ বহু ছাত্ৰ-ছাত্ৰী আহিছিল। বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে দৰ্শকৰ গেলাৰীত বহি থকাৰ সময়তে ৰূপজ্যোতি কুৰ্মীৰ এনে আচৰণ দেখিবলগীয়া হ'ল শিক্ষাৰ্থীসকলে। কিবা এটা শিকিম বুলি অহা ছাত্ৰ-ছাত্ৰীসকলে এই দৃশ্য প্ৰত্যক্ষ কৰি মুখ চেপি হাঁহি আছিল। আজি এক কথাত ক'বলৈ গ'লে আজি কুৰুক্ষেত্ৰত পৰিণত হয় অসম বিধানসভাৰ মজিয়া। মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে আসনৰ পৰা উঠি আহি বিৰোধীৰ আসমত বহি থকা বিধায়কক আক্ৰমণ কৰিবলৈ উদ্যত হৈছিল। অখিল গগৈক লক্ষ্য কৰি অবাইচ মাত মাতি চোঁচা লৈ অখিল গগৈৰ সন্মুখত থকা মাইক ভাঙি দিয়াৰ ধমক প্ৰদান কৰে। অধ্যক্ষৰ আসনত উপাধ্যক্ষ ডাঃ নোমল মমিন আছিল যদিও কুৰ্মীক উভতি আহিবলৈ কৈ দায়িত্ব সামৰে। এজন শাসকীয় দলৰ বিধায়কে আসনৰ পৰা উঠি গৈ বিৰোধী দলৰ বিধায়কক প্ৰহাৰ কৰিবলৈ উন্মাদ হৈছিল যদিও কোনো বিহিত ব্যৱস্থা গ্ৰহণ নকৰাত নাৰাজ হয় বিৰোধী দলৰ বিধায়কসকল। দৃশ্য আছিল এনেধৰণৰ। বিধানসভাৰ মৰিয়নীৰ বিধায়ক ৰূপজ্যেতি কুৰ্মীয়ে ভাষণ দিবলৈ থিয় হয়। সেই সময়তে অখিল গগৈয়ে আপোনাৰ সমষ্টিৰ ধোদৰ আলিটোৰ অৱস্থা কি হৈছে বাৰু বুলি প্ৰশ্ন কৰে? তেতিয়াই খঙত অগ্নিশৰ্মা হয় কুৰ্মী। কুৰ্মীয়ে তেতিয়াই চিঞৰি চিঞৰি কয় যে আপোনাৰ ওচৰত গৈ মাইক ভাঙি দিম। আপুনি যদি তেনেকৈ কথা কয় আপোনাৰ ওচৰত গৈ থিয় হম। আপোনাক কথা ক'বলৈ নিদিও। মাইক ভাঙি দিম। মোৰ মাজত কথা নক'ব। অখিল গগৈ ডাঙৰীয়া মাজত কথা নক'ব। আপোনাৰ ওচৰত গৈ মাইক ভাঙি দিম। বাৰে বাৰে একেইখিনি কথা উচ্চাৰণ কৰে কুৰ্মীয়ে। আপোনালোকে কথা কোৱাৰ সময়ত মই তেনেকৈ কথা কোৱা নাই। বিপোধা দলপতি মহোদয় আপুনি যদি তেনেকৈ কথা কয় আপোনাৰ ওচৰত গৈ তেনেকৈ কথা কম। আপোনাক কথা ক'বলৈ নিদিও। শ্বেৰমান আলি মোৰ মাজত কথা নক'ব। ৰূপজ্যোতি কুৰ্মীয়ে শ্বেৰমান আলিক খেদা মাৰি যায়। শ্বেৰমান আলিৰ আসনৰ সন্মুখত গৈ মাইক হাত দিয়াৰ প্ৰয়াস কৰে। সেই সময়তে কেইবাজনো বিধায়কে বাধা দিয়াত পৰিস্থিতি ক্ষান্ত হয়। ৰাছিয়ান বিপ্লৱী তথা ৰাজনীতিবিদ লেলিনে সংসদক সন্দৰ্ভত হয়তো ঠিকেই কৈছিল। সংসদক গাহৰিৰ গড়াল বুলি কৈছিল লেনিনে। ইফালে বিধানসভাৰ বাহিৰতো আমিনুল ইছলামৰ সৈতে বাকযুদ্ধত লিপ্ত হয় কুৰ্মী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হানী ট্ৰেপিঙৰ জালত মন্ত্ৰী-বিধায়ক

ৰাজ্য চৰকাৰৰ মন্ত্ৰীগৰাকীয়ে দাবী কৰে যে কৰ্ণাটৰ ৪৮ জনকৈ ৰাজনীতিক চিকাৰ হৈছে 'হানীট্ৰেপ'ৰ। সুন্দীৰৰ প্ৰেমৰ জালত আৱদ্ধ হৈ ব্লেকমেইলিঙৰ সন্মুখীন হৈছে কেন্দ্ৰীয় পৰ্যায়ৰ নেতাও। আনকি এই হানীট্ৰেপৰ কবলত নিজেও পৰা বুলি উল্লেখ কৰে কে এন ৰাজন্নাই। বিধানসভাত বৃহস্পতিবাৰে মন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ পিছতে সৃষ্টি হয় তীব্ৰ উত্তেজনাৰ। তেওঁ স্পষ্টকৈ কয় যে এয়া কোনো বিশেষ দলৰ কথা নহয়, বৰঞ্চ ৰাজনীতিৰ বহু স্তৰত এই ফান্দ পতা হৈছে। ৰাজন্নাই কয়, "মোৰ জ্ঞাত মতে, চিডি আৰু পেন ড্ৰাইভৰ জৰিয়তে ৪৮ জন নেতাক ব্লেকমেইল কৰা হৈছে।" কেৱল সেয়াই নহয়, এই ঘটনাৰ লগত বিৰোধী বিধায়ক জড়িত থকাৰ ইংগিতো দিয়ে। তেওঁ আৰু দাবী কৰে যে কৰ্ণাটকত 'চিডি আৰু পেন ড্ৰাইভ ফেক্টৰী' খোলা বুলি বহু লোকে অভিযোগ উত্থাপন কৰিছে। ৰাজন্নাই কয়, "তুমাকুৰুৰ দুজন শক্তিশালী মন্ত্ৰী হানীট্ৰেপৰ ফান্দত পৰিছে। ইয়াৰে এজন মই, আনজন ডাঃ পৰমেশ্বৰ। আমাৰ বাহিৰেও আৰু বহু নাম ওলাইছে। কিন্তু ইয়াত সকলো উল্লেখ কৰাটো সম্ভৱ নহয়।" লগতে সম্পূৰ্ণ তদন্তৰ দাবীত গৃহমন্ত্ৰীলৈ পত্ৰ লিখিব বুলিও ঘোষণা কৰে মন্ত্ৰীগৰাকীয়ে। ইফালে, এই গুৰুতৰ অভিযোগে কৰ্ণাটক চৰকাৰৰ ওপৰতো এই মুহূৰ্তত হেঁচা বৃদ্ধি কৰিছে। অভিযোগ অনুসৰি হোৱাটছএপ কল আৰু মেছেজৰ জৰিয়তে জালত পেলোৱা হৈছে ৰাজনীতিকসকলক। ইতিমধ্যে এই ঘটনাৰ সম্পূৰ্ণ তদন্তৰ দাবী জনাইছে বিৰোধী বিজেপিয়ে। কংগ্ৰেছেও এই বিষয়ত সৰৱ হৈ পৰিছে। মুখ্যমন্ত্ৰী সিদ্দাৰমাইয়াৰ বিৰুদ্ধেও মন্ত্ৰীক ফান্দত পেলাবলৈ চেষ্টাকৰাৰ অভিযোগ উঠিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰক্ষী নিজামুদ্দিনক ৫ বছৰ জে'ল

নিজামুদ্দিন ভূঞা। ২০১৮ চনত সংঘটিত এক কিশোৰী নিৰ্যাতনৰ গোচৰত আজি নিলম্বিত আৰক্ষী বিষয়াজনক দোষী সাব্যস্ত কৰি ৫ বছৰ সশ্ৰম কাৰাদণ্ডৰ শাস্তি বিহে বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ অতিৰিক্ত জিলা আৰু ন্যায়িক দণ্ডাধীশৰ আদালতে। উল্লেখ্য যে, ২০১৮ চনত এগৰাকী কিশোৰীৰ নিৰ্যাতনৰ অভিযোগত আৰক্ষী নিজামুদ্দিন ভূঞাৰ বিৰুদ্ধে ৰুজু কৰা হৈছিল গোচৰ। ইয়াৰ পিছতে তেওঁক চাকৰিৰ পৰা নিলম্বন কৰা হৈছিল। পক্সো' আইনৰ অধীনত ৰুজু কৰা গোচৰত আজি আদালতে নিজামুদ্দিনক দোষী সাব্যস্ত কৰি ৫ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। আদালতে কয় যে যদি তেওঁ এই জৰিমনা আদায় দিবলৈ অসমৰ্থ হয়, তেন্তে অতিৰিক্ত তিনি মাহ কাৰাদণ্ড ভুগিব লাগিব। ইফালে, আদালতৰ এই ৰায়ৰ পিছতে আজি আনন্দ ব্যক্ত কৰিছে ভুক্তভোগীৰ পৰিয়ালে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# তিনিচুকীয়াৰ ভিন্নস্থানত অসম সাহিত্য সভাৰ সভাপতিক বিপুল আদৰণি

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২১ মাৰ্চঃ** অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে আজি দিনজোৱা কাৰ্য ক্ৰমণিকাৰে তিনিচুকীয়া জিলাত উপস্থিত হয়। ড° গোস্বামীয়ে প্ৰথমে মাকুমস্থিত তিনিচুকীয়া জিলা সাহিত্য সভাৰ কাৰ্যালয় (যুগল কিশোৰ কেষাণ ভৱন)ত আয়োজন কৰা এখন সভাত অংশগ্ৰহণ কৰাৰ পাছত দুপৰীয়া চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিং তপোবনস্থিত ৰূপাই শতদল শাখা সাহিত্য সভাৰ ভৱনত উপস্থিত হয়। সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক সংগ দিয়া তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া আৰু সাহিত্য সভাৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকলক গায়ন-বায়ন আৰু সাংস্কৃতিক দল, সাহিত্যনুৰাগী ৰাইজে সভাগৃহলৈ আদৰি আনে। জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সম্বৰ্ধনা অনুষ্ঠানত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক জিলাখনৰ সাতখন শাখা সাহিত্য সভাৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱাৰ লগতে ডুমডুমা প্ৰেছ ক্লাবৰ উপৰিও ডুমডুমা আৰু ৰূপাই চাইডিং অঞ্চলৰ প্ৰায় ডেৰ কুৰি দল-সংগঠনে সম্বৰ্ধনা জনায়। ৰূপাই শতদল শাখা সাহিত্য সভাৰ সম্পাদক ৰাতুল গগৈ আৰু জিলা সাহিত্য সভাৰ সম্পাদক অৰূপজ্যোতি চাংমাইয়ে আঁতধৰা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় ৰূপাই শতদল শাখা সাহিত্য সভাৰ সভাপতি বেনু বড়াই। অসম সাহিত্য সভাৰ সভাপতিগৰাকীয়ে ৰূপাই শতদল শাখা সাহিত্য সভা ভৱনত এটি পুথিভঁৰালৰো উদ্বোধন কৰে। সভাত জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দ্বয় মোহন মৰাণ আৰু অৰ্জুন বৰুৱাৰ লগতে ডুমডুমা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° আব্দুল কাদিৰ, বদন শৰ্মা, জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকন, জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক দিগন্ত কুমাৰ ভাজনীকে মুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। নিজৰ ভাষণত সভাপতি ড° গোস্বামীয়ে অসম সাহিত্য সভাক এক সুস্থ-সমাহিত আৰু বিতৰ্কহীন অনুষ্ঠান হিচাপে গঢ় দিয়াৰ লগতে অসম সাহিত্য সভাৰ নিকা ভাবমূৰ্তি ঘূৰাই অনাৰো আশ্বাস দিয়ে। উল্লেখ্য যে অসম সাহিত্য সভাৰ একাংশ বিষয়ববীয়াৰ কৰ্মকাণ্ডৰ বিৰোধিতা কৰি তিনিচুকীয়া জিলা সাহিত্য সভাৰ একাংশ প্ৰাক্তন বিষয়ববীয়াই ২০১৮ চনত অসম সাহিত্য সভাৰ পৰা আঁতৰি আহি নিজাববীয়াকৈ গঠন কৰা তিনিচুকীয়া জিলা সাহিত্য সেৱী মঞ্চৰ অন্যতম প্ৰতিষ্ঠাপক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য, ৰূপাইৰ সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকনে সাহিত্য সেৱী মঞ্চৰ সদস্যসকল শীঘ্ৰে অসম সাহিত্য সভাৰ মজিয়ালৈ ঘূৰি আহিব বুলি ৰাজহুৱাকৈ ঘোষণা কৰে। ৰূপাইৰপৰা সভাপতি ড° গোস্বামী কাকপথাৰলৈ যায়। কাকপথাৰ আঞ্চলিক সাংস্কৃতিক সংঘৰ প্ৰেক্ষাগৃহৰ প্ৰাংগণত যোৱা ১৫ মাৰ্চৰ পৰা অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক কাকপথাৰ গ্ৰন্থমেলাত উপস্থিত হোৱা অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক লৈ কাকপথাৰবাসীৰ পাৰভঙা উছাহ পৰিলক্ষিত হয়। কাকপথাৰ প্ৰেছ ক্লাবৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি তথা কাকপথাৰ প্ৰেছ ক্লাবৰ উদ্যোগত কাকপথাৰ শাখা সাহিত্য সভা, মইনা পাৰিজাত, কবি সন্মিলন, লেখিকা সমাৰোহ, আবৃত্তি আৰু সাংস্কৃতিক পৰিষদ, কাকপথাৰ সাংস্কৃতিক সংঘ, অসম যোদ্ধা ফাউণ্ডেচন, অভিৰুচি ক্লাব, ৰাৰিয়ৰ্চ আৰু কাকপথাৰবাসীৰ সহযোগত আয়োজন কৰা কাকপথাৰ গ্ৰন্থমেলা-২০২৫ৰ অন্তিম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা অসম সাহিত্য সভাৰ সভাপতিগৰাকীক বৃহত্তৰ কাকপথাৰ অঞ্চলৰ এক ডজন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা আৰু অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য বিভাগৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ড° মৃণাল কুমাৰ বৰুৱাও উপস্থিত থাকে। কাকপথাৰৰপৰা সভাপতি ড° গোস্বামীয়ে অসম-অৰুণাচল সীমান্তৰ বৰডুমচালৈ ৰাওনা হয়।

# ভৱানীপুৰত অগ্নিকাণ্ডত জাহ গ'ল ব্যৱসায়িক প্ৰতিষ্ঠান

**ই-সংবাদ, ভৱানীপুৰ, ২১ মাৰ্চঃ** আজি পুৱতি নিশা ভৱানীপুৰৰ সমীপৰ তালতল চ'ক বজাৰত সংঘটিত এক ভয়ংকৰ অগ্নিকাণ্ডত ছখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান জুইত জাহ যায়। আজি পুৱতি নিশা প্ৰায় ৩ বজাত শ্বৰ্ট চাৰ্কিটৰ ফলত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। উক্ত ঘটনা সংঘটিত হোৱাৰ পাছতেই ততাতৈয়াকৈ ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। উল্লেখ্য, এই অগ্নিকাণ্ডৰ ফলত উক্ত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ প্ৰায় চৈধ্য লাখ টকাৰ সা-সামগ্ৰী ক্ষতিগ্ৰস্ত হোৱা বুলি জনাইছে এগৰাকী স্বত্বাধিকাৰী মৃদুল বৰ্মনে। বৰ্মনে জনোৱা মতে, এই অগ্নিকাণ্ডত তেওঁৰ দোকানৰ প্ৰায় চাৰিলাখ টকাৰ সামগ্ৰী ক্ষতিগ্ৰস্ত হয় আৰু ছখন দোকান মিলি চৈধ্য লাখ টকাৰ সা-সামগ্ৰী ক্ষতিগ্ৰস্ত হয়। তেওঁ কয়-- এই ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীসকল দৰিদ্ৰ পৰিয়ালৰ



তথা দোকানখনক কেন্দ্ৰ কৰিয়েই তেওঁলোকৰ পৰিয়ালক পোহপাল দি আছে। এইক্ষেত্ৰত চৰকাৰ-প্ৰশাসনৰ তৰফৰপৰা এককালীন আৰ্থিক সহায় আগবঢ়োৱাৰ বাবে কাতৰ অনুৰোধ কৰিছে জুইত জাহ যোৱা ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীসকলে।

# সৰুপেটাত গৰু চুৰিৰে জড়িত এজনক আটক

**ই-সংবাদ, ভৱানীপুৰ, ২১ মাৰ্চঃ** সৰুপেটা আৰক্ষীয়ে গৰুচুৰি কাণ্ডৰে জড়িত এগৰাকী লোকক আজি আটক কৰিবলৈ সক্ষম হৈছে। আটক কৰা ব্যক্তিগৰাকীৰ নাম আজিজুল হক আৰু তেওঁ সৰুপেটাৰ সমীপৰ বাটোৱা গাঁৱৰ বাসিন্দা। জানিব পৰা মতে, বাটোৱা গাঁৱৰ বাসিন্দা ছিদ্দিক আলীয়ে আজি দিনৰ প্ৰায় এঘাৰ বজাত পথাৰলৈ গৈ তেওঁৰ এৰাল দিয়া গাইজনী নেদেখি বিচাৰ-খোচাৰ কৰাত পাছলৈ সৰুপেটা আৰক্ষীয়ে গাইজনীৰ সৈতে এগৰাকী লোকক আটক কৰাৰ সম্ভেদ লাভ কৰে। ইয়াৰ পিছতেই গাইজনীৰ গৰাকী ছিদ্দিক আলীয়ে সৰুপেটা আৰক্ষী চকীলৈ গৈ গাইজনী চিনাক্ত কৰাৰ লগতে ধৃত ব্যক্তিগৰাকী তেওঁলোকৰ গাঁৱৰে বাসিন্দা আজিজুল হক বুলি আৰক্ষীক জানিবলৈ দিয়ে। সৰুপেটা আৰক্ষীয়ে ধৃত ব্যক্তিগৰাকীৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰা বুলি জানিবলৈ দিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ৰঙিয়াত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশন আৰম্ভ

## হাজাৰ হাজাৰ লোকৰ সমাগমেৰে উদুলি-মুদুলি অধিৱেশনস্থলী

**ৰজা আৰিমত্ত ক্ষেত্ৰৰপৰা ভাস্কৰ কলিতা, ৰঙিয়া, ২১ মাৰ্চঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰঙিয়া অধিৱেশন আজিৰেপৰা অনুষ্ঠিত হৈছে। ৰঙিয়াৰ তৰণীস্থিত ৰজা আৰিমত্ত ক্ষেত্ৰত তিনিদিনীয়াকৈ আয়োজিত অধিৱেশনৰ আজি পুৱাৰ ভাগত বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ কৰা হয়। পুৱা মুখ্য তোৰণ উন্মোচনৰে কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। ইয়াৰ পিছতে ভাগৱত স্থাপন, বন্তি প্ৰজ্বলন আৰু প্ৰাতঃপ্ৰসংগ অনুষ্ঠিত কৰা হয়। অধিৱেশনৰ পতাকা উত্তোলন কৰে সদৌ অসম কলিতা আলপাইন জনগোষ্ঠীৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে। পতাকা উত্তোলকৰূপে আগবঢ়োৱা ভাষণ প্ৰসংগত সংগঠনটোৰ মূল দাবী সন্দৰ্ভত আলোকপাত কৰি সভাপতি ডাঃ কাকতীয়ে কয় যে ঐতিহাসিক কালৰেপৰা ভূমিপুত্ৰৰূপে স্বীকৃত কলিতা জনগোষ্ঠীয় লোকসকলে উপযুক্ত সা-সুবিধাৰপৰা দীৰ্ঘকাল ধৰি বঞ্চিত হৈ আহিছে। যাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সংবিধানৰ ৩৪২(ক) অনুচ্ছেদৰ অধীনত ভূমিপুত্ৰ কলিতাসকলক অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদানকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত সুদীৰ্ঘ কাল সংগঠনটোৱে সংগ্ৰাম কৰি আহিছে। সকলোধৰণৰ পাঠ্যক্ৰমত নামভৰ্তি আৰু চাকৰিৰ নিযুক্তিৰ ক্ষেত্ৰতো ভূমিপুত্ৰ কলিতাসকল চৰম বঞ্চনাৰ সন্মুখীন হৈ অহা বুলি উল্লেখ কৰি আছুতীয়াকৈ আৰ্থিক অনগ্ৰসৰ ক্ষেত্ৰত দহ শতাংশ আসন সংৰক্ষণৰ বাবেও সংগঠনটোৱে চলাই অহা সংগ্ৰাম সন্দৰ্ভত আলোকপাত কৰে কেন্দ্ৰীয় সভাপতিগৰাকীয়ে। উক্ত কাৰ্যসূচীৰ সমান্তৰালভাৱে বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা উত্তোলন কৰা হয় ৩৮ খনকৈ পতাকা। পতাকা উত্তোলনৰ পিছতে স্মৃতি তৰ্পণ আৰু মাল্যাৰ্পণ কৰে সংগঠনটোৰ কেন্দ্ৰীয় সম্পাদক নয়ন কলিতা, ৰঙিয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক বিশ্বজিৎ কলিতা, আদৰণি সমিতিৰ সাধাৰণ সম্পাদক ৰাজেন কলিতাৰ লগতে জিলা পৰিষদৰ প্ৰাক্তন সদস্য লিটন কলিতাই। তেনেদৰে অস্থায়ী কাৰ্যালয়, ভোজনালয়, অস্থায়ী অতিথিশালা আৰু প্ৰদৰ্শনী তথা গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰা হয়। সমান্তৰালভাৱে ভাৰত-ভূটান পথেৰে ৰঙিয়া নগৰৰ তিনিআলি চ'কলৈ উলিওৱা হয় বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা। কেইবাহাজাৰ লোকে অংশগ্ৰহণ কৰা বাৰেৰহণীয়া শোভাযাত্ৰাত কলিতা জনগোষ্ঠীৰ বিভিন্ন ঐতিহ্য, লোকাচাৰ প্ৰদৰ্শিত হয়। প্ৰাৰম্ভিকতে শোভাযাত্ৰাৰ উদ্বোধন কৰে বিশিষ্ট নিবন্ধকাৰ অংকুৰ ডেকাই। বিয়লিৰ ভাগত জনগোষ্ঠীয় বাৰ্ষিক দিনপঞ্জী উন্মোচন কৰে অসম প্ৰদেশ বিজেপিৰ সমবায় কোষৰ ৰাজ্যিক আহ্বায়ক দিলজিৎ বৰ্মণে। উক্ত কাৰ্যসূচীত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ উপদেষ্টা ত্ৰিদীপ কলিতাও উপস্থিত থাকে। ইফালে, অধিৱেশন উপলক্ষে মহাৰাজ পৃথু সভাকক্ষৰ প্ৰতিনিধি শিবিৰ উদ্বোধন কৰাৰ পিছতে অনুষ্ঠিত কৰা হয় কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা। সন্ধিয়া কেবাগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হয়। নিশাৰ ভাগত আয়োজিত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয় শিল্পীসকলে অনুষ্ঠিত কৰা সংগীতানুষ্ঠানে সমৱেত লোকসকলক আপ্লুত কৰে। অধিৱেশন উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰপৰা কেবাসহস্ৰ কলিতা জনগোষ্ঠীয় লোকৰ আগমনৰে স্বাভাৱিকতে উদুলি-মুদুলি হৈ পৰিছে অধিৱেশনস্থলী।

## ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধিঃ পুৰণি কমলাবাৰী ঘাটৰপৰাও সম্ভৱ হৈ নুঠিল যাতায়াত

# বেচামৰালৈ স্থানান্তৰ কমলাবাৰী-দক্ষিণপাট পাৰঘাট

**ই-সংবাদ, মধ্য মাজুলী, ২১ মাৰ্চঃ** শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ কিছু বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত দক্ষিণপাট-নিমাতি পাৰঘাটৰ ৰেম্প সমূহ বুৰাই পেলোৱাৰ পৰিপ্ৰেক্ষিতত ঘাটটোৰে জলযাতায়ত স্তব্ধ হৈ পৰাত বিভাগে আজি পুৰণি কমলাবাৰী ঘাটৰ পৰা পুনৰ ঘাটটোৰে জল যাতায়ত আৰম্ভ কৰিবলৈ প্ৰস্তুতি চলাইছিল যদিও বিভাগ সফল নহল। কালি নিশা ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ পুনৰ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত আজি পুৱৰ্ণি কমলাবাৰী ঘাটৰ পৰা এখন চিংগল ইঞ্জিনৰ ফেৰী কোনোমতে কম যাত্ৰীৰে সৈতে নিমাতিলৈ পঠায় যদিও ঘাটটোৰে পুনৰ ফেৰী চলাচল আৰম্ভ কৰাত বিভাগীয় প্ৰচেষ্টা ব্যৰ্থ হয়। উপায়ন্তৰ হৈ আজি পুনৰ ঘাটটো অফলামুখ ঘাটৰ নিচেই কাষৰ বেচামৰালৈ স্থানান্তৰ কৰা হয়। উক্ত ঘাটৰ পৰাই এতিয়া সকলো চিংগল ইঞ্জিন আৰু জাহাজ সমূহৰ চলাচলৰ ব্যৱস্থা কৰা হ'ব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ অস্বাভাৱিক হাৰত হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত যোৱা বৰ্ষৰ নৱেম্বৰ মাহত কমলাবাৰী পাৰঘাট দক্ষিণপাটৰ যোৰহাট-মাজুলী সংযোগী দলং নিৰ্মাণস্থলীৰ নদীৰ মাজ অংশলৈ স্থানান্তৰকৰণেৰে কমলাবাৰী পাৰঘাটটোৰ সকলো ধৰণৰ জলযাতায়ত অব্যাহত ৰাখিছিল যদিও ১৯ মাৰ্চত




ঘাটটোৰ দুই নম্বৰ ৰেম্পটো সম্পূৰ্ণৰূপে পানীত ডুব যোৱাৰ ফলত এটা ৰেম্পেৰে ফেৰীৰ চলাচল অব্যাহত ৰাখিছিল যদিও ২০ মাৰ্চৰ পৰা দুয়োটা ৰেম্পেই পানীত ডুব যোৱাৰ পৰিপ্ৰেক্ষিতত ঘাটটোৰে সম্পূৰ্ণৰূপে ফেৰী চলাচল বন্ধ হৈ পৰিছিল। কিন্তু কালি পুৱৰ্ণি কমলাবাৰী ঘাটলৈ পুনৰ ঘাটটো স্থানান্তৰিত কৰিবলৈ বিভাগে চাৰ্ভৰ জড়িয়তে চেষ্টা কৰিছিল যদিও অৱশেষত সেয়াও সফল নোহোৱাত বিভাগে অফলামূখ ঘাটৰ বেচামৰালৈ ঘাটটো অৱশেষত পুনৰ স্থানান্তৰ কৰিবলৈ বাধ্য হয়। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কমলাবাৰী ঘাটেৰে চাৰিচকীয়া বাহন পাৰাপাৰত সমস্যাৰ সন্মুখীন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি যোৱা বৰ্ষৰ ১২ নৱেম্বৰৰ পৰা মাজুলী যোৰহাট সংযোগী দলংৰ প্ৰকল্প স্থলীৰ কাষেৰে দক্ষিণপাটলৈ কমলাবাৰী পাৰঘাট স্থানান্তৰিত কৰিছিল আৰু তেতিয়াৰ পৰাই দক্ষিণপাটৰ পৰাই ঘাটটোৰ ফেৰী সমূহৰ চলাচল অব্যাহত আছিল।

# হাতীচোং মহাবিদ্যালয়ত উত্তৰ-পূব হস্ততাঁত আৰু হস্তশিল্প উন্নয়ন নিগমৰ বিশেষ সভা

**ই-সংবাদ, বেবেজীয়া, ২০ মাৰ্চঃ** ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ড অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ অংশ। এই খণ্ডই নিয়োগ সৃষ্টিৰ লগতে দেশৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশত বিশেষ ভূমিকা পালন কৰে। এক কথাত কৃষিৰ পিছতেই ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ড চমুকৈ এম এছ এম ইয়ে কম মূলধন ব্যয়েৰে বৃহৎ নিয়োগৰ সুযোগ সৃষ্টি কৰি ৰাজ্য তথা দেশৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নত যথেষ্ট অৰিহণা যোগাই আহিছে। সেয়ে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডৰ প্ৰতি নৱপ্ৰজন্মক আকৰ্ষণ কৰাৰ লক্ষ্যৰে এম এছ এম ই মন্ত্ৰণালয়ৰ উদ্যোগত তথা ড'নাৰ মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ-পূব হস্ততাঁত আৰু হস্তশিল্প উন্নয়ন নিগমৰ সৌজন্যত বৃহস্পতিবাৰে নগাঁও জিলাৰ হাতীচোং মহাবিদ্যালয়ত এক বিশেষ সজাগতা সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক তথা ইংৰাজী বিভাগৰ অধ্যাপক নেকিবুৰ ৰহমানে আঁতধৰা অনুষ্ঠানটিত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি প্ৰভাত চন্দ্ৰ দাসে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ বৃদ্ধিত অৰিহণা যোগাবলৈ ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগীকৰণৰ জগতখন অন্বেষণ কৰি জ্ঞান, দক্ষতা আৰু প্ৰেৰণাৰে সবলীকৰণ হ'বলৈ আহ্বান জনাই। আন এগৰাকী সমল ব্যক্তি সাংবাদিক, জীৱন কৌশলৰ প্ৰশিক্ষক দিব্যজ্যোতি বৰুৱাই স্ব-নিয়োজনৰ বিষয়ে বিশ্লেষণ কৰি ইতিবাচক আচৰণৰ ক্ষমতা, জীৱনৰ দাবী আৰু প্ৰত্যাহ্বানৰ সৈতে ফলপ্ৰসূভাৱে মোকাবিলা কৰিবলৈ সক্ষমতা, আত্মনিয়ন্ত্ৰণ, সমস্যা সমাধান, যোগাযোগ, সিদ্ধান্ত গ্ৰহণ, আবেগিক নিয়ন্ত্ৰণ, সামাজিক দক্ষতা আদি জীৱন কৌশলৰ গুৰুত্বপূৰ্ণ দিশৰ ব্যাখ্যা আগবঢ়াই। সভাৰ শেষত মহাবিদ্যালয়খনৰ অধ্যক্ষ লুইত হাজৰিকাই ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডৰ প্ৰতি নৱপ্ৰজন্মক আকৰ্ষণ কৰাৰ লক্ষ্যৰে এম এছ এম ই মন্ত্ৰণালয়ৰ উদ্যোগত ড'নাৰ মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ-পূব হস্ততাঁত আৰু হস্তশিল্প উন্নয়ন নিগমৰ সৌজন্যত অনুষ্ঠিত সজাগতা সভাৰ বাবে সকলো অংশগ্ৰহণকাৰীক ধন্যবাদ জ্ঞাপন কৰি ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান অন্বেষণৰ পথত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ, বুঢ়ীদিহিঙৰ খহনীয়া প্ৰতিৰোধী কাম পৰিদৰ্শন পীযুষ হাজৰিকাৰ



**ই-সংবাদ, ডিব্ৰুগড়, ২১ মাৰ্চঃ** ৰাজ্য চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই আজি ডিব্ৰুগড় জিলাৰ কেইবাটাও স্থান ভ্ৰমণ কৰি ব্ৰহ্মপুত্ৰ আৰু বুঢ়ীদিহিং নদীৰ খহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগৰ উদ্যোগত চলি থকা কাম পৰিদৰ্শন কৰে। ডিব্ৰুগড় চহৰখনক ব্ৰহ্মপুত্ৰৰ বান-খহনীয়াৰ আশংকাৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যৰে জলসম্পদ বিভাগে চহৰখনৰ গাতে লাগি থকা ব্ৰহ্মপুত্ৰ নদীত মাইজানৰ পৰা মোহনাঘাটলৈ খহনীয়া প্ৰতিৰোধী কাম কৰি আছে। ইয়াৰে ডিটিপি ডাইকত চলি থকা দুটা স্পাৰৰ কাম আৰু মোহনাঘাটত জিঅ' বেগ, পাৰ্কুপাইন, এপ্ৰনেৰে চলি থকা খহনীয়া প্ৰতিৰোধী কাম মন্ত্ৰী প্ৰশান্ত ফুকনৰ সৈতে পৰিদৰ্শন কৰি জলসম্পদ মন্ত্ৰী হাজৰীকাই আজি নিজৰ সন্তুষ্টি প্ৰকাশ কৰে। উল্লেখ্য যে বিগত বৰ্ষত প্ৰায় ৭৮ কোটি টকা ব্যয়সাপেক্ষে দুটা স্পাৰ নিৰ্মাণ, জিঅ' বেগ, এপ্ৰন আৰু পাৰ্কুপাইন স্থাপনেৰে খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে এই প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছিল। ইতিমধ্যে এই প্ৰকল্পৰ অধীনত প্ৰায় ৯৫ শতাংশ খহনীয়া প্ৰতিৰোধী কাম সম্পূৰ্ণ হৈছে। এই কামখিনি সম্পূৰ্ণ হোৱাৰ পাছত ডিব্ৰুগড় চহৰখন খহনীয়াৰ আশংকাৰ পৰা মুক্ত হ'ব বুলি মন্ত্ৰী হাজৰীকাই আজিৰ পৰিদৰ্শনকালত আশা প্ৰকাশ কৰে। পাছত মন্ত্ৰী হাজৰীকাই মন্ত্ৰী বিমল বড়াৰ সৈতে টিংখং সমষ্টিৰ অধীনৰ খোৱাং কলৌলোৱা দেউৰী গাঁও আৰু খামটিঘাট ৩নং চৰাইহাবি গাঁৱত উপস্থিত হৈ বুঢ়ীদিহিং নদীৰ খহনীয়া প্ৰতিৰোধী কাম পৰিদৰ্শন কৰে। উল্লেখনীয় যে বুঢ়ীদিহিং নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগৰ অধীনত কেইবাটাও সমষ্টিজুৰি বিশ্ববেংকৰ পৰা লোৱা পুঁজিৰে কাম চলি আছে। ইয়াৰে ১৭২ কোটি টকা পুঁজিৰ খহনীয়া প্ৰতিৰোধী প্ৰকল্পৰ অধীনত টিংখং সমষ্টিত চলি থকা কামৰ অংশবিশেষ পৰিদৰ্শন কৰি মন্ত্ৰী হাজৰীকাই আশা প্ৰকাশ কৰে যে অনাগত দিনত এই অঞ্চলটো বান আৰু খহনীয়াৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈ সক্ষম হ'ব। মন্ত্ৰীগৰাকীক আজিৰ পৰিদৰ্শনৰ সময়ত স্থানীয় দেউৰীগাঁৱৰ ৰাইজে আদৰ অভ্যৰ্থনা জ্ঞাপন কৰে। মন্ত্ৰী হাজৰীকাইও স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে।

# জৈ আফা বীৰাই বাথৌৰে মুখৰিত শিমলিবাৰী

**ই-সংবাদ, গোৰেশ্বৰ, ২১মাৰ্চঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ শিমলিবাৰীৰ চানজাখৌলা বৈৰাথী বাথৌ মন্দিৰ প্ৰাংগণ আজি জৈ আফা বৌৰাই বাথৌৰে মুখৰিত হৈ পৰে। এলেকাটোৰ প্ৰায় কুৰিখন গাঁৱৰ সহাস্ৰাধিক বাথৌ ধৰ্মালম্বী লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত আঞ্চলিকৰ ৰূপালী জয়ন্তীৰ প্ৰতিটো কাৰ্যসূচীত অঞ্চলবাসীৰ অকুণ্ঠ সহায়-সহযোগে এক মিলনক্ষেত্ৰত পৰিণত কৰে। পুৱা ৫.৩০ বজাত স্বচ্ছ অভিযানৰ পিচতেই উপেন নাৰ্জাৰী আৰু ৰাইমল বড়ো সোঁৱৰণী তোৰণ মুকলি কৰে গোপচাৰ ভি চি ডি চিৰ অধ্যক্ষ লৈথুমা বড়োৱে। ইয়াৰ পিছত মনেশ্বৰী বড়ো আৰু লাৱণ্য বড়ো সোঁৱৰণী প্ৰাৰ্থনা গৃহ উন্মোচন কৰে বিশিষ্ট ব্যৱসায়ী গিৰেণ বড়োৱে। ৮.৪৫ বজাত গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে বন বিষয়া ভদ্ৰেশ্বৰ বড়োৱে। ৯.৩০ বজাত গোলোক চন্দ্ৰ বড়ো সোঁৱৰণী মঞ্চ মুকলি কৰে জিনা ৰাম বড়োৱে। ১০ বজাত বিলাইশ্ৰী ব্ৰহ্ম আৰু বিমলা বড়ো সোঁৱৰণী প্ৰেক্ষাগৃহ মুকলি কৰে এন আৰ ডি এছৰ সচিব দেৰহাচাৎ নাৰ্জাৰীয়ে। ১২.৩০ বজাত দেউৰী আফাদ (সমিতি) মুকলি সভা উদ্বোধন কৰে প্ৰাক্তন ই এম মহেশ্বৰ বসুমতাৰীয়ে। আবেলি ধৰ্মমূলক কুইজ প্ৰতিযোগিতা উদ্বোধন কৰে হাংগামা নাৰ্জাৰীয়ে। কাইলৈ পুৱা ৮.৩০ বজাত ২৫খন ধৰ্মীয় পতাকা উত্তোলন কৰাৰ পিছতেই বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বি টি আৰৰ ই এম দাওবৈচা বড়োৱে। দুপৰীয়া ধৰ্মমূলক আলোচনা সভা উদ্বোধন কৰিব বিটিআৰৰ পাৰিষদ পবিত্ৰ কুমাৰ বড়োৱে। সন্ধিয়া বিশ্বশান্তিৰ কামনাৰ্থে ২৫ শ বন্তি প্ৰজ্জ্বলন কৰা হ'ব। মুখ্য বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকিব ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা।

# নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত বিকশিত ভাৰত যুৱ সংসদ প্ৰতিযোগিতাৰ সফল সামৰণি

**ই-সংবাদ, আমগুৰি ২১ মাৰ্চঃ** ভাৰত চৰকাৰৰ যুৱ আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত সমগ্ৰ ভাৰতবৰ্ষতে ৩০০ খন ন'ডেল জিলাত বিকশিত ভাৰত যুৱ সংসদ প্ৰতিযোগিতাৰ আয়োজন হয়। শিৱসাগৰ জিলাৰ নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়টো দুদিনীয়া কাৰ্যসূচীৰে এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিৱসাগৰ জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। 'এক দেশ এক নিৰ্বাচন' শীৰ্ষক বিষয়ৰ প্ৰতিযোগিতাৰ পৰা ১০ গৰাকী প্ৰতিযোগীক ৰাজ্যিক পৰ্যায়ৰ যুৱ সংসদ নিৰ্বাচিত কৰে। ৰাজ্যিকপৰ্যায়লৈ নিৰ্বাচিত প্ৰতিযোগীসকল হ'ল- শিৱসাগৰ বিশ্ববিদ্যালয়ৰ এনিষা দে, বৰুণ চাহু, গৌৰাংগ জ্যোতি সন্দিকৈ, শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ কস্তুৰী শইকীয়া, অচ্যুত কুমাৰ শৰ্মা, দীপান্বিতা দত্ত, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ ছেৰি আখতাৰ হুছেইন, গড়গাঁও মহাবিদ্যালয়ৰ ঝৰ্ণা গগৈ, ক্যাশপ গগৈ আৰু হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সুজাতা বৰা। প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড০ ৰেখা বৰঠাকুৰ, শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহযোগী অধ্যাপক শ্বাহীউজ জামান আহমেদ, ডিমৌ পৌৰসভাৰ কাৰ্যবাহী বিষয়া মৃত্যুঞ্জয় ভৰালী আৰু শিৱসাগৰ যুৱ বক্তা ডম্বিধৰ টায়ে। সামৰণি অনুষ্ঠানত উপস্থিত থাকে অধ্যক্ষ ড০ ধ্ৰুৱজ্যোতি নাথ, উপাধ্যক্ষ বিনীতা তামুলী, মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক ড০ মৌচুমী ৰেখা খাউণ্ড, নাজিৰা মহাবিদ্যালয়ৰ কাৰ্যক্ৰম বিষয়া পূৰ্ণ গগৈ আৰু হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ কাৰ্যক্ৰম বিষয়া জচপ্ৰীত কৌৰ চাণ্ড। সামৰণি অনুষ্ঠানৰ আঁতধৰে আৰু শলাগ জ্ঞাপন কৰে বিকশিত ভাৰত যুৱ সংসদ প্ৰতিযোগিতাৰ আহ্বায়ক ড০ পাপু কুমাৰ গুটেই। অনুষ্ঠানৰ শেষত অংশগ্ৰহণকাৰী সকলক মান-পত্ৰ বিতৰণ হয়। এই অনুষ্ঠানতে নয়দাৰ এমিটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৩৮-সংখ্যক ৰাষ্ট্ৰীয় আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰি মহাবিদ্যালয়ৰ ছাত্ৰ ৰফিচিং মৰাণে Spot Photography শিতানত ২য় পুৰস্কাৰ অৰ্জন কৰা বাবে মহাবিদ্যালয়ৰ তৰফৰপৰা অভিনন্দন জনোৱা হয়।

# শংকৰদেৱ সংঘৰ ভৰাগুৰি পদুমণি প্ৰাথমিক শাখাৰ ৰূপালী জয়ন্তী

**ই-সংবাদ, পুৰণিগুদাম, ২১ মাৰ্চঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ অধীনৰ পূৰ্বাঞ্চলিক আঞ্চলিক শাখাৰ অন্তৰ্গত ভৰাগুৰি পদুমণি প্ৰাথমিক শাখাই ২৫ টা বৰ্ষত ভৰি দিলে। এই উপলক্ষে ২২ আৰু ২৩ মাৰ্চত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষ-২০২৫ উদযাপন কৰিব। কাৰ্যসূচী অনুসৰি ২২ মাৰ্চৰ পুৱা ৫ বজাত প্ৰাতঃপ্ৰসংগ, পুৱা ৮ বজাত ধৰ্মধ্বজা উত্তোলন, পুৱা ১০ বজাত খোল-প্ৰসংগ, ১০.৩০ বজাত নাম-প্ৰসংগ, দুপৰীয়া ১২ বজাত প্ৰসাদ গ্ৰহণ, দুপৰীয়া এক বজাত ভকত-বৈষ্ণৱৰ আদৰণি অনুষ্ঠান আৰু স্মৰণিকা উন্মোচন। দিনৰ দুই বজাৰপৰা অবিৰত ভাগৱত পাঠ আৰু ব্যাখ্যা শুভাৰম্ভ। সন্ধ্যা এশ এগছ বন্তি প্ৰজ্বলন। ২৩ মাৰ্চৰ পুৱা এঘাৰ বজাত অবিৰত ভাগৱত পাঠৰ সামৰণি। দুপৰীয়া ১২ বজাত নাম-প্ৰসংগ, দিনৰ এক বজাত প্ৰসাদ আৰু অন্ন গ্ৰহণ, বিয়লি ৩ বজাত ভকত-বৈষ্ণৱৰ বিদায় সেৱা, সন্ধ্যা ৫ বজাত বন্তি প্ৰজ্বলন। ৰূপালী জয়ন্তী বৰ্ষৰ উক্ত সমূহ কাৰ্যসূচীত ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতি ভৰাগুৰি পদুমণি প্ৰাথমিক শাখাৰ হৈ সভাপতি লাহিৰাম হাজৰিকা, সম্পাদক বুলেন বৈৰাগীৰ লগতে আদৰণি সমিতিৰ হৈ সভাপতি গোলাপ শইকীয়া, যুটীয়া সম্পাদক চন্দনজ্যোতি দাস আৰু নিতুল বৰাই কামনা কৰিছে।

# ৰূপজ্যোতি কুৰ্মীৰ প্ৰতিকৃতি দাহ কৃষক মুক্তি, ৰাইজৰ দলৰ

**ই-সংবাদ, মৰিয়নি, ২১ মাৰ্চঃ** যোৰহাট জিলাৰ মৰিয়নিৰ সমষ্টিৰ অন্তৰ্গত চেলেংহাটত আজি সন্ধিয়া ৰাইজৰ দল আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চেলেংহাট শাখাই মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে আজি বিধান সভাৰ মজিয়াত মৰিয়নিৰ বিধায়ক কুৰ্মীয়ে অশালীন ব্যৱহাৰ কৰি ৰাইজৰ দলৰ বিধায়ক অখিল গগৈক মাৰিবলৈ খেদা মাৰি যোৱা কাৰ্যক ধিক্কাৰ দি এই কাৰ্যসূচী হাতত লয়। মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে প্ৰতিবাদকাৰীসকলে ৰূপজ্যোতি কুৰ্মী গ' বেক, ৰূপজ্যোতি কুৰ্মী হায় হায় আদি বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। লগতে কুৰ্মীয়ে কংগ্ৰেছ দলত থাকোতে অখিল গগৈৰ



ভৰিত ধৰি ৰাস্তা-ঘাটৰ কাম আনিছিল বুলিও অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। প্ৰতিবাদস্থলীত যোৰহাট জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি অৰিন্দম গগৈ, মৰিয়নি সমষ্টি ৰাইজৰ দলৰ সভাপতি বিকাশ চেতিয়াকে ধৰি বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে।

# অৰুণোদয় আঁচনি ৰূপায়ণত মৈৰাবাৰীৰ তাঁতীকটাত বৃহৎ অনিয়ম

## বাচনি কমিটিৰ বিৰুদ্ধে বঞ্চিতৰ ক্ষোভ প্ৰকাশ

**ই-সংবাদ, মৈৰাবাৰী, ২১ মাৰ্চঃ** ৫৫ নং ধিং বিধান সভা সমষ্টিৰ নিজ ধিং উন্নয়ন খণ্ডৰ অন্তৰ্গত তাঁতীকটা গাঁও পঞ্চায়তৰ ১৬ নং ভোট কেন্দ্ৰত পোহৰলৈ আহিছে অৰুণোদয় ৩.০ ত ব্যাপক অনিয়মৰ ঘটনা। অসম চৰকাৰৰ নিৰ্দেশ অনুসৰি জিলা আয়ুক্তই গঠন কৰি দিয়া ৩ জনীয়া অৰুণোদয় আঁচনিৰ বাচনি কমিটিৰ সদস্য ক্ৰমে ৰমজান আলী, মফিদুল ইছলাম আৰু মোজাম্মেল হকৰ বিৰুদ্ধে বুধবাৰে তাঁতীকটা গাঁও পঞ্চায়তৰ সন্মুখত ৫০ গৰাকীতকৈও অধিক অৰুণোদয় আঁচনিৰপৰা বঞ্চিত বিধৱা, বিকলাংগ, বিবাহ বিচ্ছেদ মহিলাই প্ৰতিবাদ সাব্যস্ত কৰে। মহিলাসকলৰ অভিযোগ অনুসৰি পূৰ্বে ১২৫০ টকা মাহিলি পাই থকা মহিলাসকলৰ নাম ৰহস্যজনকভাৱে নতুন তালিকাৰ পৰা কৰ্তন কৰি উক্ত তালিকাত চাকৰিয়াল লোকৰো নাম অন্তৰ্ভুক্ত কৰিছে। প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি খোদ বাচনি কমিটিয়ে এনে অনিয়ম সংঘটিত কৰাৰ বাবে চৰকাৰক বৃহত্তৰ মৈৰাবাৰী অঞ্চলৰ লগতে তাঁতীকটা গাঁও পঞ্চায়তত আঁচনিৰ নামৰ তালিকা প্ৰস্তুতত হোৱা অনিয়ম সন্দৰ্ভত পুনৰ বিবেচনা কৰি তালিকা পুনৰ প্ৰস্তুত কৰিবলৈ বঞ্চিত হিতাধিকাৰীসকলে চৰকাৰৰ ওচৰত দাবী জনাইছে।

# গড়গাঁও মহাবিদ্যালয়ত বিশ্ব সাধুকথা কোৱা দিৱস আৰু বিশ্ব কবিতা দিৱস উদযাপন

**ই-সংবাদ, শিৱসাগৰ, ২১ মাৰ্চঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত যোৱা ২০ মাৰ্চত বিশ্ব সাধুকথা কোৱা দিৱস আৰু ২১ মাৰ্চত বিশ্ব কবিতা দিৱস অনুষ্ঠিত হৈ যায়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক প্ৰণৱ দুৱৰাই বিশ্ব সাধুকথা কোৱা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানটি উদ্বোধন কৰি শিক্ষাৰ্থীসকলক সাধুকথাৰ গুৰুত্ব আৰু প্ৰাসংগিকতাৰ ধাৰণা আগবঢ়াই সাধুকথা, লোকগীত আদি লোকসাহিত্যৰাজি চৰ্চাৰে জীয়াই ৰখাৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱযানী বকলীয়ালে বিশ্ব সাধুকথা কোৱা দিৱসৰ ইতিহাস, তাৎপৰ্য, অসমীয়া সমাজত সাধুকথা কোৱা আৰু শুনাৰ পৰম্পৰা তথা এই পৰম্পৰাৰ সাম্প্ৰতিক সামাজিক স্থিতি ইত্যাদি সম্পৰ্কে আভাস আগবঢ়ায়। এই বৰ্ষৰ বিষয়বস্তু অনুসৰি সাধুকথাত পানীৰ প্ৰসংগৰ উপস্থাপনেৰে উক্ত অনুষ্ঠানত অসমীয়া সমাজত প্ৰচলিত এটি জনপ্ৰিয় সাধুকথা তথা মালিতা কমলা কুঁৱৰীৰ সাধুৰ আধাৰত নিৰ্মিত, সীমান্ত ফুকন পৰিচালিত চলচ্চিত্ৰখন প্ৰদৰ্শন কৰে। আনহাতে, ২১ মাৰ্চ তাৰিখে বিশ্ব কবিতা দিৱস উপলক্ষে অসমীয়া বিভাগৰ সহযোগী অধ্যাপক নীলাক্ষী চেতিয়া, ড° দেৱযানী বকলীয়াল আৰু ড° অংকুৰ দত্তই 'অসমীয়া কবিতাৰ ইতিহাস আৰু জনপ্ৰিয় কবিতাৰ পঠন-বিশ্লেষণ' শীৰ্ষক এলানি পাঠ শিক্ষাৰ্থীসকললৈ আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যক্ষ বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড° সব্যসাচী মহন্তই অসমীয়া বিভাগৰ এনে পদক্ষেপৰ শলাগ লয়। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ সৈতে শিক্ষাৰ্থীসকল একাত্ম হ'ব পৰাকৈ ভৱিষ্যতেও এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ অধ্যক্ষ ড° মহন্তই আহ্বান জনায়। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান প্ৰণৱ দুৱৰা, দুয়োটা অনুষ্ঠানৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱযানী বকলীয়াল আৰু ড° অংকুৰ দত্তৰ লগতে বিভাগৰ জ্যেষ্ঠ অধ্যাপক নীলাক্ষী চেতিয়া, ৰূণজুন হাজৰিকা আৰু প্ৰিয়মা দিহিঙীয়াই অনুষ্ঠান দুটি উদযাপনৰ ক্ষেত্ৰত সহযোগ আগবঢ়োৱা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰি এই দিৱস উদযাপনে ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰে।

# মিৰ্জাত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত মহিলা

**ই-সংবাদ, মিৰ্জা, ২১ মাৰ্চঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী আৰক্ষী চকীৰ অন্তৰ্গত মিৰ্জাত আজি এটা ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। গুৱাহাটীৰপৰা মিৰ্জা অভিমুখে আহি থকা এ এছ ১৩ এ ৯০২১ দ্ৰুতবেগী ট্ৰাকখনে পিছফালৰ পৰা এ এছ ২৫ এছ ৭৯৮৫ মটৰচাইকেল আৰোহী এটা দম্পতীক মহতিয়াই লৈ যায়। দুৰ্ঘটনাত থিতাতে নিহত হৈছে নহিৰাৰ কুলদুং নিবাসী আৰতি হাজৰিকাক নামৰ এগৰাকী মহিলা। বিপুল হাজৰিকা আৰু আৰতি হাজৰিকা গুৱাহাটীৰপৰা নিজ গৃহলৈ আহি থকা পথত মিৰ্জা শান্তিপুৰত এখন দ্ৰুতবেগী ট্ৰাকে মহতিয়াই লৈ যোৱাৰ ফলত থিতাতে নিহত হয় আৰতি হাজৰিকা। আনহাতে, বিপুল হাজৰিকা মিৰ্জাৰ চৰকাৰী চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। নিজ জীয়াৰীৰ শান্তি বিবাহৰ নিমন্ত্ৰণ জনাবলৈ গুৱাহাটীলৈ গৈছিল দম্পতীটো। বৰ্তমান আৰতি হাজৰিকাৰ মৃতদেহ পলাশবাৰী আৰক্ষী চকীৰ মৰ্গত ৰখাৰ ব্যৱস্থা কৰিছে আৰক্ষীয়ে। পৰৱৰ্তী সময়ত আৰতি হাজৰিকাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী মেডিকেল কলেজ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হ'ব । উল্লেখ যে এই পথছোৱাত সঘনাই সংঘটিত হোৱা দুৰ্ঘটনাক লৈ ৰাইজে প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে।

# দুলীয়াজান মহাবিদ্যালয়ত আন্তৰ্জাতিক সুখ দিৱস পালন



**ই-সংবাদ, দুলীয়াজান, ২১ মাৰ্চঃ** যোৱা ২০ মাৰ্চত দুলীয়াজান মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ উদ্যোগত আন্তৰ্জাতিক সুখ দিৱস পালন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোকবিকাশ গগৈয়ে। উদ্বোধনী ভাষণত তেখেতে মানৱ জীৱনত সুখ আহৰণৰ বিভিন্ন বিষয়বিলাকৰ বিষয়ে বিশ্লেষণ দাঙি ধৰে। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে আমন্ত্ৰণ কৰি অনা হৈছিল শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা শ্ৰীমতী অংকিতা বৰুৱাক। তেখেতে অতি মনোগ্ৰাহীকৈ আন্তৰ্জাতিক সুখ দিৱসৰ তাৎপৰ্য বৰ্ণনা কৰে। তদুপৰি সঁচা সুখ মানে কি আৰু মানৱ জীৱনত সুখ আহৰণৰ বিভিন্ন বিষয়বিলাক সাৱলীলভাৱে মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে ছাত্ৰ-ছাত্ৰীসকলৰ আগত বিশ্লেষণ কৰে। তেখেতে কয় যে সুখ ইতিবাচক মানসিক অৱস্থা, সেয়ে আত্মিক সুখ আহৰণ কৰিব পাৰিলেহে দীৰ্ঘম্যাদী ৰূপত এজন ব্যক্তি সুখী হ'ব পাৰে আৰু আনকো সুখৰ সমভাগী কৰিব পাৰে। তেখেতে উল্লেখ কৰে যে সুখী হ'বৰ বাবে প্ৰয়োজনীয় সাধনা বা প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। প্ৰকৃত আৰু স্থায়ী সুখ আহৰণ কৰিবৰ বাবে আনন্দ, সন্মান আৰু আকাংক্ষা এই তিনিওটা দিশৰ ভাৰসাম্যতা থাকিব লাগিব। অনুষ্ঠানত সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড০ হেমন্ত দাসে আন্তৰ্জাতিক সুখ দিৱস উপলক্ষে বক্তব্য আগবঢ়াই কয় যে সুখ কোনো নিৰ্দিষ্ট সূত্ৰৰে আহৰণ কৰিব নোৱাৰি। তাৰবাবে এজন ব্যক্তিয়ে নিজকে আন্তৰিকতাৰে বিশ্লেষণ কৰি সুখৰ সন্ধান কৰিব লাগিব। সমাজতত্ত্ব বিভাগৰ অধ্যাপক ড০ ধ্ৰুৱ হাজৰিকায়ো সুখ আহৰণ সম্পৰ্কে নিজৰ বিশ্লেষণ আগবঢ়ায়। বিভাগটোৰ ছাত্ৰী ৰিকিমনি গগৈ আৰু তনভি বাৰ্লায়েও সভাত নিজৰ বক্তব্য আগবঢ়ায়। সমাজতত্ত্ব বিভাগৰে অধ্যাপক ড০ অৰুণ ৰয়ে আন্তৰ্জাতিক সুখ দিৱসৰ তাৎপৰ্য বিশ্লেষণৰে অতি মনোগ্ৰাহীকৈ আৰু মননশীলভাৱে অনুষ্ঠানটোৰ আঁতধৰে আৰু শেষত শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানটিত বহুসংখ্যক অধ্যাপকৰ ওপৰিও সমাজতত্ত্ব বিভাগৰ তিনিওটা ষান্মাষিকৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি দিৱসটি সফল কৰি তোলে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# বিপিএফ-জিএছপি একত্ৰিত হৈ গঢ়িব বিটিচি পৰিষদ, মুছলপুৰত গণ সুৰক্ষা পাৰ্টীৰ যোগদান সভা

**ই-সংবাদ, মুছলপুৰ, ২১ মাৰ্চঃ** চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত অনুষ্ঠিতব্য বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ইতিমধ্যে ৰাজনৈতিক দলসমূহে কুচ-কাৱাজ আৰম্ভ কৰিছে। বিটিচি পৰিষদীয় নিৰ্বাচনত স'ততে অংশগ্ৰহণ কৰা প্ৰতিটো ৰাজনৈতিক দলে সাংগঠনিক ভেটি সুদৃঢ় কৰিবলৈ উঠি-পৰি লগা পৰিলক্ষিত হৈছে। ইয়াৰ ব্যতিক্ৰম নহয় কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ নব কুমাৰ শৰণীয়া নেতৃত্বাধীন গণ সুৰক্ষা পাৰ্টী চমুকৈ জিএছপি দল। দলটোৰ একমাত্ৰ পাৰিষদ ঘনশ্যাম দাসৰ নেতৃত্বত অনুষ্ঠিত হৈছে ইখনৰ পাছত সিখন যোগদান সভা। আজি বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী হানামাৰাত জিএছপি দলৰ যোগদান সভা অনুষ্ঠিত হয়। বিটিচিৰ পাৰিষদ ঘনশ্যাম দাসে মুখ্য অতিথি হিচাপে উপস্থিত থকা যোগদান সভাত বিজেপি, ইউপিপিএলকে ধৰি কেবাটাও দল-সংগঠনৰ শতাধিক কৰ্মীয়ে আনুষ্ঠানিকভাৱে জিএছপি দলত যোগদান কৰে। যোগদান কাৰ্যসূচীৰ পাছতে সাংবাদিকৰে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত পাৰিষদ ঘনশ্যাম দাসে কয় যে ৰাইজ স্ব-ইচ্ছাৰে আগবাঢ়ি আহি আমাৰ ওচৰত যোগদান কৰিছে। আমি কোনো এগৰাকী ব্যক্তিকে মাতি আনি যোগদান কৰাবলগীয়া হোৱা নাই। বিগত দহটা বছৰত মই পাৰিষদ হিচাপে ৰাইজৰ হকে কিমানখিনি কৰিছো সেয়া ৰাইজে নিজ চকুৰে দেখিয়েই মোৰ হাত অধিক শক্তিশালী কৰিবলৈ আগবাঢ়ি আহিছে। মোৰ এটাই কথা - আমি একত্ৰিত হৈ আগবাঢ়িলে আমাৰ বাবে কোনো বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে। ৰাইজৰ লগত আছিলো, ৰাইজৰ লগতে থাকিম। ইফালে, দলটোৰ সভাপতি তথা প্ৰাক্তন সাংসদ নব কুমাৰ শৰণীয়াই বিপিএফৰ সৈতে মিত্ৰতা ঘোষণা কৰা বিষয়টোৰ সিদ্ধান্ত চূড়ান্ত নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত পাৰিষদ দাসে কয় যে ৰাজনীতিৰ সিদ্ধান্ত চূড়ান্ত বুলি তৎক্ষণাৎ কৈ দিয়া সম্ভৱ নহয় যদিও আমি একেলগ হৈ আগবাঢ়িবলৈ সাজু হৈছো। তেওঁ আগন্তুক বিটিচি পৰিষদ বিপিএফ-জিএছপি একত্ৰিত হৈ আগবাঢ়িব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। উল্লেখ্য যে, আজিৰ যোগদান সভাত বিটিচিৰ পাৰিষদ ঘনশ্যাম দাসৰ উপৰি জিএছপি দলৰ বাক্সা জিলা সমিতিৰ সম্পাদক অনন্ত ডেকা, যুৱ মৰ্চাৰ সভাপতি নিতুল হালৈ, দিহিৰা ব্লক সমিতিৰ সভাপতি চন্দ্ৰ মোহন হালৈ, দিহিৰা ব্লক যুৱ মৰ্চাৰ কাৰ্যকৰী সভাপতি জিতু বড়োকে ধৰি কেবাগৰাকীও দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

## বৰপেটাৰোডত ড্ৰাগছসহ এজনক আটক আৰক্ষীৰ

**ই-সংবাদ, বৰপেটাৰোড, ২১ মাৰ্চঃ** বৰপেটাৰোডত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে বৰপেটাৰোড আৰক্ষীয়ে। আজি বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই বৰপেটাৰোডৰ উত্তৰে ৰে'ল পথৰ সমীপত বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত ড্ৰাগছসহ এজন লোকক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ পৰা ড্ৰাগছৰ পেকেট ১৪ টা কন্টেইনাৰসহ নগত ধন জব্দ কৰে। ড্ৰাগছ সৰবৰাহকাৰীটো হৈছে জাখলিবিল পথাৰৰ আশ্ৰাফুল ইছলাম(২৫)। সম্প্ৰতি আৰু অধিক তথ্যৰ বাবে গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰীটোক জোৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## গেলেকীৰ মনাইটিং আয়ুষ্মান আৰোগ্য মন্দিৰত দুৰ্বৃত্তৰ তাণ্ডৱ, চাঞ্চল্য




**ই-সংবাদ, গেলেকী, ২১ মাৰ্চঃ** শিৱসাগৰ জিলাৰ গেলেকী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত মনাইটিং আয়ুষ্মান মন্দিৰত যোৱা নিশা অচিনাক্ত দুৰ্বৃত্তই চলালে তাণ্ডৱ। অচিনাক্ত দুৰ্বৃত্তই উপ-স্বাস্থ্য কেন্দ্ৰটিৰ খিৰিকী, দুৱাৰ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে ভিতৰৰ সা-সামগ্ৰী ভাঙি লণ্ড-ভণ্ড কৰে। পুৱা স্থানীয় লোকে কেন্দ্ৰটোৰ এই দৃশ্য দেখি কেন্দ্ৰৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াক অৱগত কৰে। পৰৱৰ্তী সময়ত স্থানীয় লোক আৰু স্বাস্থ্য কেন্দ্ৰৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ দৃশ্য প্ৰত্যক্ষ কৰে আৰু তাৎক্ষণিকভাৱে নাজিৰাৰ আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত নাজিৰা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। দুৰ্বৃত্তই স্বাস্থ্য কেন্দ্ৰটিৰ বহু সামগ্ৰীৰ লগতে দুৱাৰ-খিৰিকী ভাঙি যথেষ্ট ক্ষতি সাধন কৰিছে। বৰ্তমানলৈকে তেনে কোনো গুৰুত্বপূৰ্ণ সামগ্ৰী কেন্দ্ৰটিৰ পৰা নিব পৰা নাই বুলি জানিব পৰা গৈছে। ইফালে, এই ঘটনাক তীব্ৰ ভাষাৰে স্থানীয় ৰাইজে গৰিহণা জনোৱাৰ লগতে দোষীক কৰায়ত্ত কৰি উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

# বেজেৰাত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ আৱণ্টন পত্ৰ প্ৰদান

**ই সংবাদ, বাইহাটা চাৰিআলি, ২১ মাৰ্চঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ দৰে কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ বেজেৰাতো যোৱা ১৯ মাৰ্চত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ হিতাধিকাৰীলৈ আবণ্টন পত্ৰ প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত কমলপুৰ সমষ্টিৰ ৪৩৫৫ গৰাকী হিতাধিকাৰীলৈ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ পত্ৰ বিতৰণ কৰে। বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এই অনুষ্ঠানত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা উপস্থিত থাকি নিজৰ ভাষণ প্ৰসংগত সমগ্ৰ অসমবাসীৰ বাবে আজি শুভ দিন, আনন্দৰ দিন আৰু গৌৰৱৰ দিন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰীত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় অনুষ্ঠানৰ জৰিয়তে আনুষ্ঠানিকভাৱে ৩,৮৮,৩৫৮ গৰাকী হিতাধিকাৰীৰ মাজত "প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ"ৰ অধীনত গৃহ অনুমোদন পত্ৰ বিতৰণ কৰে বুলি মন্তব্য কৰে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি আজি কমলপুৰ সমষ্টিৰ বিহদিয়া-জাজিকোনা উন্নয়ন খণ্ডত ২৫৭২ গৰাকী, কমলপুৰ উন্নয়ন খণ্ডত ১২২০ গৰাকী আৰু বেজেৰা উন্নয়ন খণ্ডত ৫৬৩ গৰাকী সৰ্বমুঠ ৪৩৫৫ হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এই অনুমোদন পত্ৰ বিতৰণ কৰা হয়। আজিৰ এই অনুষ্ঠানত জিলা অতিৰিক্ত আয়ুক্ত মুনমী কলিতা, মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকা, কমলপুৰ ৰাজহ চক্ৰ বিষয়া, স্থানীয় সমষ্টিটোৰ অন্তৰ্গত বেজেৰা, বিহদিয়া-জাজিকোনা আৰু কমলপুৰ খণ্ড উন্নয়ন বিষয়াত্ৰয়ৰ উপৰিও হিতাধিকাৰী ব্যক্তিসকলৰ লগতে প্ৰায় সহস্ৰাধিক লোক উপস্থিত থাকে। লোকসকলে গৃহ লাভ কৰি আনন্দিত হৈ পৰা দেখা গৈছে।

# নগাঁও টি-২০ মহিলা ক্ৰিকেটৰ ফাইনেলত গুৱাহাটী-নগাঁও

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২১ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আৰু অসম ক্ৰিকেট সন্থাৰ অধীনত নুৰুল আমিন ষ্টেডিয়ামত কাইলৈ অনুষ্ঠিত হ'বলগীয়া আমন্ত্ৰণমূলক টি-২০ মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত গুৱাহাটী দলে ঘৰুৱা নগাঁও জিলা দলৰ বিৰুদ্ধে খিতাপ লাভৰ যুঁজত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই প্ৰতিযোগিতাৰ আজি লীগ পৰ্যায়ৰ খেলত হোজাই দলে বোকাখাটক ৩৩ ৰাণত আৰু গুৱাহাটীয়ে নগাঁৱক ৬ ৰাণত পৰাজিত কৰে। চাৰিদলীয় লীগ পৰ্যায়ৰ খেলৰ পৰা গুৱাহাটীয়ে মুঠ-ছয় পইন্টৰে শীৰ্ষত, নগাঁৱে চাৰি পইন্টৰে দ্বিতীয়, হোজাইয়ে দুই পইন্টৰে তৃতীয় আৰু বোকাখাট দলে নিজৰ আটাইকেইখন খেলতে পৰাজয়বৰণৰে চতুৰ্থস্থানত অৱস্থান কৰে। ফলত গ্ৰুপ লীগত প্ৰথম দুটা স্থান লাভৰে গুৱাহাটী আৰু নগাঁৱে ফাইনেলত প্ৰৱেশ কৰিছে। ইপিনে, আজি বিয়লিৰ খেলখনত গুৱাহাটীয়ে পোনতে বেট ধৰি স্নেহা সিনহাৰ-৩৮, হীৰামণি শইকীয়াৰ-২৭, দেবাস্মিতা দাসৰ-১৭ আৰু জিনাণ হুছেইনৰ অপৰাজিত-১২ ৰাণৰ উল্লেখনীয় বৰঙণিৰে ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১১৮ ৰাণ সংগ্ৰহ কৰে। বলিঙত নগাঁৱৰহৈ জীনাক্ষি বৰুৱাই দুটা আৰু দীপশিখা বৰদলৈয়ে এটা উইকেট পায়। প্ৰত্যুত্তৰত নগাঁৱে ববিতা দাসৰ-১৯, ভাগ্যশ্ৰী কাশ্যপৰ-১৫, দীপশিখা বৰদলৈৰ-১৫ আৰু দিশাণী ভৌমিকৰ অপৰাজিত-১১ ৰাণৰ উল্লেখনীয় অৱদান স্বত্বেও ২০ অভাৰত নটা উইকেট হেৰুৱাই ১১২ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত গুৱাহাটীৰহৈ স্নেহা সিনহা আৰু জিনাণ হুছেইনে তিনিটাকৈ তথা বৈভৰী দাসে এটা উইকেট লাভ কৰে। আনহাতে, পুৱাবেলাৰ খেলখনত হোজাই জিলা দলে পোনতে বেট ধৰি ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১১০ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বোকাখাটে ১৯.১ অভাৰত ৭৭ ৰাণ সংগ্ৰহ কৰোতেই আটাইকেইটা উইকেট হেৰুৱাবলগীয়াত পৰে। উল্লেখ্য যে, পুৱাৰ খেলৰ প্লেয়াৰ অব দ্যা মেচ হোজাইৰ কৌশল্যা চাহুক প্ৰাক্তন খেলুৱৈ ৰীতা বৈদ্য কাকতিয়ে আৰু বিয়লিৰ খেলৰ প্লেয়াৰ অব দ্যা মেচৰ বঁটা গুৱাহাটীৰ স্নেহা সিনহাক প্ৰাক্তন খেলুৱৈ ৰুমি কলিতাই বিতৰণ কৰে বুলি নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট শাখাৰ সম্পাদক মৃনাল কুমাৰ হাজৰিকাই জানিবলৈ দিয়ে।




আৰু মাত্ৰ কিছু ক্ষণ! আইপিএলৰ পূৰ্বে সন্মুখত ট্ৰফীসহ একেটা ফ্ৰেমত প্ৰতিটো ফ্ৰেঞ্চাইজিৰ অধিনায়ক

## আলবাৰ্টা প্ৰদেশ ভাৰতক দিলে কমনৱেল্থ আয়োজনৰ সুযোগ

# আহমেদাবাদত অনুষ্ঠিত হ'ব পাৰে ২০৩০ৰ কমনৱেল্থ গেমছ!

**নতুন দিল্লী, ২১ মাৰ্চঃ** পুনৰ কমনৱেলথ গেমছলৈ প্ৰত্যাৱৰ্তন ঘটিছে ভাৰতৰ! ভাৰতৰ ক্ৰীড়া মন্ত্ৰালয়ে ২০৩০ চনৰ কমনৱেলথ গেমছ আয়োজনৰ বাবে আনুষ্ঠানিকভাৱে নিবিদা দাখিল কৰিছে। গুজৰাটৰ আহমেদাবাদক সম্ভাব্য স্থান হিচাপে বাছনি কৰা হৈছে। সূত্ৰ অনুসৰি কানাডাৰ আলবাৰ্টা প্ৰদেশে এই অনুষ্ঠান আয়োজনৰ বাবে প্ৰয়োজন হোৱা বিপুল খৰচৰ পৰিপ্ৰেক্ষিতত দৌৰৰ পৰা বাহিৰ হোৱাৰ সুযোগতে নিবিদা দাখিল কৰিছে ভাৰতে। উল্লেখ্য যে, যোৱা কেইবছৰমানৰ পৰা কমনৱেলথ গেমছৰ আয়োজনৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। অষ্ট্ৰেলিয়াৰ ভিক্টোৰিয়াই প্ৰথমে ২০২৬ চনৰ কমনৱেলথ গেমছ আয়োজনৰ দায়িত্ব গ্ৰহণ কৰিছিল যদিও পিছত খৰচৰ হেঁচাত খেল এৰিছিল। পিছলৈ গ্লাছগোৱে দায়িত্ব লয় যদিও কেইবাটাও ইভেণ্ট বাদ দিয়া হয়। ২০৩০ চনতো একেই পৰিস্থিতি। আলবাৰ্টাই আঁতৰি যোৱাৰ পিছত কমনৱেলথ গেমছ আচলতে হ'ব নে নহয় সেই সম্পৰ্কে অনিশ্চয়তা আহিছিল।এনে পৰিস্থিতিত ভাৰতৰ ক্ৰীড়া মন্ত্ৰালয়ে নতুন দিল্লীৰ হৈ আনুষ্ঠানিক নিবিদা দাখিল কৰে। মূল লক্ষ্য অৱশ্যে ২০৩৬ চনৰ অলিম্পিক আয়োজনৰ দৌৰত থকা। ইতিমধ্যে গুজৰাট চৰকাৰে আহমেদাবাদক আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ ক্ৰীড়া আন্তঃগাঁথনি হিচাপে গঢ়ি তোলাৰ কাম আৰম্ভ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পোনপটীয়াকৈ এই প্ৰকল্পৰ তদাৰক কৰিছে। পৰিকল্পনা অনুসৰি ২০২৮ চনৰ ভিতৰত আহমেদাবাদ অলিম্পিক আয়োজন কৰিবলৈ সাজু হ'ব। ভাৰতে ইয়াৰ পূৰ্বে ২০১০ চনত দিল্লীত কমনৱেলথ গেমছ আয়োজন কৰিছিল যদিও সেই প্ৰতিযোগিতা দুৰ্নীতিৰ অভিযোগত বিকৃত হৈছিল। এইবাৰ ভাৰতে কমনৱেলথ গেমছক অলিম্পিক আয়োজনৰ প্ৰস্তুতি হিচাপে দেখিছে। বিশ্বাস কৰা হয় যে যদিহে গেমছ সফলতাৰে আয়োজন কৰা হয়, তেন্তে ই বিশ্বত ভাৰতৰ শক্তিৰ প্ৰমাণ হ'ব পাৰে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি